It's time to do,
Not to think...

Plant some trees
To save the world

জন হিতার্থে প্রচাৰিত

সাপ্তাহিক মৰিগাঁও

SAPTAHIK MORIGAON

A WEEKLY NEWS PAPER PUBLISHED FROM MORIGAON, ASSAM

মৰিগাঁৱৰ পৰা প্ৰকাশিত সাপ্তাহিক বাতৰি কাকত

বছৰ-৩০, সংখ্যা-৬, ৩-ছেপ্টেম্বৰ, ২০২৬, বৃহস্পতিবাৰ, মূল্য-২.০০ টকা

Voll-30, No. 6, 3- September, 2026,Thursday, RNI No.67320/97, Price-2.00

বান সাহায্যৰ পৰা আৰম্ভ কৰি খিলঞ্জীয়াৰ সুৰক্ষালৈকে শাসকীয় দলক তীব্ৰ আক্ৰমণ গৌৰৱ গগৈৰ



।। **বিশেষ সেৱা**।। ৰাজ্যৰ বান সাহায্য বিতৰণত ব্যাপক দুৰ্নীতি, পি এম কিষাণৰ নামত ভুৱা আধাৰ কার্ড কেলেংকাৰী আৰু পৰিৱেশ ধ্বংসৰ বিৰুদ্ধে শাসকীয় বিজেপি চৰকাৰক কঠোৰ ভাষাৰে সমালোচনা কৰিলে কংগ্ৰেছ সাংসদ গৌৰৱ গগৈয়ে। মৰিগাঁও জিলা সাংবাদিক সস্থাৰ কার্যালয়ত অনুষ্ঠিত এক মত বিনিময় অনুষ্ঠানত অংশগ্ৰহণ কৰি সাংসদগৰাকীয়ে চৰকাৰৰ বিৰুদ্ধে একাধিক গুৰুতৰ অভিযোগ উত্থাপন কৰে। সংবাদমেলত সাংসদ গৌৰৱ গগৈয়ে কয় ঃ বানপীড়িত ৰাইজক বিতৰণ ● (২পৃষ্ঠাত)

সীতাজখলা ডেইৰী ক্লাষ্টাৰ উদ্যোগৰ অধীনত চেক বিতৰণ

।। **বিশেষ সেৱা**।। 'সীতাজখলা ডেইৰী ক্লাষ্টাৰ' উদ্যোগৰ অধীনত অলপতে মৰিগাঁও জিলা আয়ুক্ত সৃষ্টি সিঙে আনুষ্ঠানিক চেক বিতৰণৰ প্ৰথম পর্যায় মুকলি কৰে। এই কার্যসূচীৰ জৰিয়তে জিলাখনৰ



নির্বাচিত ১,০০০ গৰাকী মাকৈ খেতিয়কৰ ভিতৰত ৩৪৬ গৰাকীক বিত্তীয় সাহায্য প্ৰদান কৰা হয়। অসম ● (২পৃষ্ঠাত)

ডাঃ সর্বপল্লী ৰাধাকৃষ্ণণৰ জীৱন-দর্শন আৰু 'শিক্ষক দিৱস'ৰ প্ৰাসংগিকতা

।। **নাছিৰ আহমেদ**।। ১৮৮৮ চনৰ ৫ ছেপ্তেম্বৰত তামিলনাডুৰ তিৰুতানি নামৰ গাঁৱত জন্ম গ্ৰহণ কৰা ভাৰতৰ দ্বিতীয়গৰাকী ৰাষ্ট্ৰপতি, শিক্ষাবিদ,বিশ্ববৰেণ্য দার্শনিক, পণ্ডিত ডাঃ সর্বপল্লী ৰাধাকৃষ্ণণৰ জন্মদিনটোক ভাৰতৰ সকলো প্ৰান্ততে (বিশেষকৈ শিক্ষানুষ্ঠানসমূহত) ' শিক্ষক দিৱস' হিচাপে যথাযথ গাম্ভীর্যপূর্ণভাৱে চৰকাৰী বা বেচৰকাৰী সংস্থাসমূহৰ পৃষ্ঠপোষকতাত প্ৰতি বছৰে পালন কৰা হয়। জীৱনৰ এক দীর্ঘ সময় ধৰি ● (৪পৃষ্ঠাত)

২৭, ২৮ নবেম্বৰত কর্মপ্ৰাণ ক্ষীৰোদ বৰুৱা সোঁৱৰণী সদৌ অসম একাংক নাট প্ৰতিযোগিতা

।। **বিশেষ সেৱা**।। অসমৰ অন্যতম আগশাৰী নাট প্ৰতিযোগিতা কর্মপ্ৰাণ ক্ষীৰোদ বৰুৱা সোঁৱৰণী সদৌ অসম একাংক নাট প্ৰতিযোগিতাখনি অহা ২৭ আৰু ২৮ নবেম্বৰত দুদিনীয়াকৈ অনুষ্ঠিত কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে। নাট পৰিচালনা সমিতিৰ সভানেত্ৰী লিপিকা বৰুৱাই আজি নাট পৰিচালনা সমিতিৰ কার্যালয়ত বন্তি প্ৰজ্বলনৰে কার্যালয়টো শুভাৰম্ভ কৰাৰ পিছত এখন গুৰুত্বপূর্ণ সভা ● (২পৃষ্ঠাত)

নগালেণ্ডত কয়লা, শিল, মাটিৰ খনন বন্ধ নহয়

।। **বিশেষ সেৱা** ঃ অসম আৰু নাগালেণ্ডত যোৱা ১৯ জুলাইত হোৱা বিধ্বংসী বানে কেৱল যে অসমকেই অনিষ্ট কৰিলে এনে নহয়, নগালেণ্ডৰো বহু অনিষ্ট হ'ল। নগালেণ্ডত কয়লা, শিল, মাটি খননক লৈ এতিয়া নগালেণ্ডৰ সাধাৰণ নাগৰিকো অসন্তুষ্ট হৈ পৰিছে। নগালেণ্ডৰ পৰা বৈ অহা পানীৰ ধলে অসম আৰু নগালেণ্ডক তচ্‌নচ্‌ কৰি পেলালে। নগালেণ্ডৰ পৰা বৈ অহা মূলতঃ দিখৌ আৰু জাঁজী নদীৰ লগতে ইয়াৰ উপনৈসমূহত অত্যধিক পানী হোৱাৰ বাবেই অসমৰ শিৱসাগৰ, চৰাইদেউ আৰু যোৰহাট জিলাত ● (২পৃষ্ঠাত)

বিশ্বাসযোগ্যতা ঃ এখন সুস্থ সমাজৰ চাবিকাঠি



প্ৰেম বৈষ্ণৱ (বিহালী, বিশ্বনাথ)

৯৮৫৪৪৫০৫৮২

মানৱ সভ্যতাৰ যি সুদীর্ঘ ইতিহাস, সেই ইতিহাস কেৱল যুদ্ধ, জয়-পৰাজয় বা বৈজ্ঞানিক আৱিষ্কাৰৰ কাহিনী নহয়। ই আচলতে মানুহৰ মাজত গঢ়ি উঠা পাৰস্পৰিক সম্পর্ক আৰু মূল্যবোধৰো এক নিৰন্তৰ যাত্ৰা। যিবোৰ মহৎ গুণৰ বাবে মানুহক পৃথিৱীৰ শ্ৰেষ্ঠ জীৱ বুলি অভিহিত কৰা হয়, সেইবোৰৰ ভিতৰত আটাইতকৈ প্ৰভাৱশালী আৰু শক্তিশালী গুণটোৱেই হৈছে বিশ্বাসযোগ্যতা। মানৱীয় সম্পর্কৰ যি বিশাল আৰু জটিল তন্ত্ৰ আমাৰ চাৰিওফালে বিস্তৃত হৈ আছে, তাৰ প্ৰতিডাল সূতা আচলতে একো একোটা অদৃশ্য বিশ্বাসৰ ওপৰতহে টিকি আছে। বিশ্বাসযোগ্যতা অবিহনে সমাজ এখন এটা সুন্দৰ কিন্তু প্ৰাণহীন জঁকাৰ বাহিৰে আন একো নহয়। আমি যেতিয়া কওঁ যে কাৰোবাৰ বিশ্বাসযোগ্য হ'ব পৰাটো জীৱনৰ আটাইতকৈ ডাঙৰ উপহাৰ, তেতিয়া আমি কেৱল এটা বাক্য উচ্চাৰণ নকৰোঁ, বৰঞ্চ জীৱনৰ এক গভীৰ আৰু চিৰন্তন সত্যক স্বীকাৰ কৰোঁ।

পৃথিৱীত ধন-সম্পত্তি, ক্ষমতা, উচ্চ পদ-মর্যাদা বা বৈষয়িক সুখ অর্জন কৰাটো যিমান কঠিন, তাতকৈ বহু বেছি কঠিন আৰু প্ৰত্যাহ্বানমূলক হ'ল আন এজন ব্যক্তিৰ মনত নিজৰ বাবে এশ শতাংশ বিশ্বাসযোগ্যতা গঢ়ি তোলাটো। ই এক নীৰৱ আধ্যাত্মিক সাধনা, যাৰ বাবে এজন মানুহক সমগ্ৰ জীৱনটোৰ প্ৰয়োজন হয়। এইটোৱেই সেই চাবিকাঠি যিয়ে এখন সুস্থ আৰু শান্তিপূর্ণ সমাজৰ দুৱাৰ মুকলি কৰিব পাৰে। বিশ্বাস ● (৪পৃষ্ঠাত)

বান সাহায্যৰ পৰা আৰম্ভ কৰি খিলঞ্জীয়াৰ সুৰক্ষালৈকে শাসকীয় দলক তীব্ৰ আক্ৰমণ গৌৰৱ গগৈৰ



(১পৃষ্ঠাৰ পৰা)● কৰা সাহায্য সামগ্ৰী অত্যন্ত নিম্নমানৰ আৰু খোৱাৰ অনুপযোগী। ৰাইজৰ কষ্টোপার্জিত ধনেৰে কিনা এই সামগ্ৰীসমূহ ক্ৰয় কৰাৰ ক্ষেত্ৰত বিভাগীয় মন্ত্ৰী আৰু ঠিকাদাৰৰ মাজত বৃহৎ অনিয়ম সংঘটিত হৈছে। তদুপৰি, মথাউৰি মেৰামতিৰ দায়িত্বত থকা ঠিকাদাৰসকলৰ গাফিলতিৰ বাবেইগাঁওসমূহ প্লাৱিত হোৱা বুলি উল্লেখ কৰি তেওঁ কয় ঃ এই ঠিকাদাৰসকলক শাসকীয় মন্ত্ৰী-বিধায়কে সুৰক্ষা প্ৰদান কৰি আহিছে। তেওঁ সমগ্ৰ সাহায্য ক্ৰয় প্ৰক্ৰিয়াৰ ওপৰত কেন্দ্ৰীয় চৰকাৰৰ তদন্ত দাবী কৰে। সাংসদগৰাকীয়ে অভিযোগ কৰে যে পি এম কিষাণ আঁচনিৰ ধন প্ৰকৃত কৃষকে পোৱাৰ পৰিৱৰ্তে ভুৱা আধাৰ কার্ডৰ জৰিয়তে একেটা পৰিয়ালৰ ৩-৪ জনলৈকে ধন আত্মসাৎ কৰা হৈছে। এই কেলেংকাৰীত সমগ্ৰ দেশৰ ভিতৰত অসম শীৰ্ষস্থানত থাকিব বুলি তেওঁ দাবী কৰে। লগতে মন্ত্ৰী-বিধায়কসকলৰ বিলাসী জীৱনশৈলীক কটাক্ষ কৰি তেওঁ কয় ঃ জনসাধাৰণৰ ধনেৰে আজি একাংশই কোটিটকীয়া গাড়ী আৰু লাখটকীয়া ঘড়ী ব্যৱহাৰ কৰিবলৈ লৈছে। আসন্ন উপ-নির্বাচনৰ প্ৰসংগ টানি তেওঁ এগৰাকী কর্তব্যৰত আই এ এছ (IAS) বিষয়াক কঠোৰ সমালোচনা কৰে। জিলা আয়ুক্তগৰাকীয়ে বিজেপিৰ দলীয় প্ৰার্থী আৰু কর্মীৰ সৈতে ৰাজনৈতিক বৈঠকত অংশ লোৱাৰ অভিযোগ তুলি তেওঁ কয় ঃ নির্বাচন আয়োগৰ নিৰপেক্ষতা বজাই ৰাখিবলৈ এনে বিষয়াক অবিলম্বে নিলম্বন বা বদলি কৰিব লাগে। সাংসদ গগৈয়ে কাজিৰঙা আৰু কার্বি আংলঙৰ পাহাৰত চলি থকা অবৈধ খননক লৈ গভীৰ উদ্বেগ প্ৰকাশ কৰে। তেওঁ অভিযোগ কৰে যে ব্যক্তিগত কোম্পানীক সুবিধা কৰি দিবলৈ পৰিৱেশ সংবেদনশীল অঞ্চল (Eco-Sensitive Zone) সংকুচিত কৰা হৈছে। অবৈধ খননৰ ফলত কাজিৰঙাৰ প্ৰাকৃতিক ভাৰসাম্য নষ্ট হোৱাৰ লগতে পাহাৰ ভাঙি প্ৰাকৃতিক দুর্যোগ সৃষ্টি হোৱাৰ আশংকা প্ৰকাশ কৰি তেওঁ ইয়াৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদী কার্যসূচী গ্ৰহণৰ হুংকাৰ দিয়ে। ৰাজ্য চৰকাৰৰ ৰাজহ বৃদ্ধিৰ নীতিলৈ আঙুলিয়াই তেওঁ কয় ঃ চৰকাৰে মদৰ দোকান বৃদ্ধি কৰি আবকাৰী ৰাজহ বঢ়োৱাত ব্যস্ত, আনহাতে স্কুলৰ মাছুল, পেট্ৰ'ল-ডিজেলৰ মূল্য, পৌৰ নিগমৰ কৰ আৰু বিভিন্ন জৰিমনা বৃদ্ধি কৰি সাধাৰণ ৰাইজৰ ওপৰত আর্থিক বোজা জাপি দিছে। চৰকাৰে নিজৰ ঋণ পৰিশোধ কৰিবলৈ সাধাৰণ মানুহৰ জেপ কাটিছেবুলিও তেওঁ সংবাদমেলত মন্তব্য কৰে। সাংবাদিকৰে মত বিনিময় অনুষ্ঠানটোত লাহৰীঘাটৰ বিধায়ক ডাঃ আচিফ মহম্মদ নাজাৰ, প্ৰাক্তন বিধায়ক ক্ৰমে শিৰামণি বৰা, সত্যব্ৰত কলিতা, বুবুল দাস, প্ৰদেশ কংগ্ৰেছৰ নেতা ৰামানন্দ বৰুৱা, মৰিগাঁও জিলা কংগ্ৰেছৰ সভাপতি শ্ৰৱণ কুমাৰ ডেকাৰজা প্ৰমুখ্যে প্ৰদেশ আৰু জিলা কংগ্ৰেছৰ কেইবাগৰাকীও শীৰ্ষ নেতা উপস্থিত থাকে। ইপিনে লোকসভাৰ বিৰোধী উপ-দলপতি গৌৰৱ গগৈক আজি পুৱাৰ ভাগত মৰিগাঁও চহৰত প্ৰৱেশৰ সময়তে ঘনকান্ত বৰুৱা মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে উষ্ণ আদৰণি জনোৱাৰ লগতে মত বিনিময় কৰে। আনহাতে গৌৰৱ গগৈয়ে মৰিগাঁও ভ্ৰমণসূচীৰ মাজতে মৰিগাঁও বাৰ এছ'চিয়েচনৰ অধিবক্তাসকলৰ সৈতেও মত বিনিময় কৰে।

সীতাজখলা ডেইৰী ক্লাষ্টাৰ উদ্যোগৰ অধীনত চেক বিতৰণ

(১পৃষ্ঠাৰ পৰা)● মাংস, গাখীৰ আৰু কণী মিছন ছ'চাইটিৰ দ্বাৰা 'মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনা' (CMSGUY)-ৰ অধীনত ৰূপায়ণ কৰা এই প্ৰকল্পৰ মূল উদ্দেশ্য হৈছে কেঁচা ঘাঁহ আৰু চাইলেজ (silage) উৎপাদন বৃদ্ধি কৰি স্থানীয় গাখীৰৰ উৎপাদন তথা গুণগত মান উন্নত কৰা। অনুষ্ঠানত বক্তব্য প্ৰদান কৰি জিলা আয়ুক্তগৰাকীয়ে কৃষকসকলক কৃষি আৰু পশু চিকিৎসা খণ্ডৰ উৎপাদনশীলতা বৃদ্ধি কৰিবলৈ চৰকাৰী আঁচনিসমূহৰ সুযোগ গ্ৰহণ কৰিবলৈ আহ্বান জনায়। অনুষ্ঠানত জাগীৰোডৰ বিশিষ্ট সমাজকর্মী অপূর্ব ডেকা, অতিৰিক্ত জিলা আয়ুক্ত ড° নীলাক্ষী বৈশ্য, সীতাজখলাৰ কার্যকৰী সভাপতি লক্ষী মহন্ত, জিলা পশুপালন আৰু পশু চিকিৎসা বিষয়া ডাঃ নিলোৎপল কাকতি, জিলা দুগ্ধ বিষয়া, পশু চিকিৎসা বিভাগৰ বিষয়া-কর্মচাৰী আৰু স্থানীয় সমাজকর্মীসকল উপস্থিত থাকে।



২৭, ২৮ নবেম্বৰত কর্মপ্ৰাণ ক্ষীৰোদ বৰুৱা সোঁৱৰণী সদৌ অসম একাংক নাট প্ৰতিযোগিতা

(১পৃষ্ঠাৰ পৰা)● অনুষ্ঠিত হয়। নাট পৰিচালনা সমিতিৰ সাধাৰণ সম্পাদক মৃনাল হাজৰিকাই আঁত ধৰা সভাখনত নাট প্ৰতিযোগিতাখনি সফল কৰি তোলাৰ ক্ষেত্ৰত কেইবাটাও গুৰুত্বপূর্ণ প্ৰস্তাৱ গ্ৰহণ কৰে। তদুপৰি নাট পৰিচালনা সমিতিৰ সভানেত্ৰী লিপিকা বৰুৱাই নাট প্ৰতিযোগিতাখনৰ পূর্বৰ গৰিমা অটুট ৰাখি নাট প্ৰতিযোগিতাখন সফল কৰি তুলিবলৈ সকলোৰে প্ৰতি আহ্বান জনাই। সভাত সাধাৰণ সম্পাদক মনমোহন ৰাজবংশী, পৱন সিংহা, জগদীশ নাথ, মিলন ডেকা, ৰাতুল ভূঞা, জিতুমণি নাথ, পনৱ ডেকা, ৰাজীৱ মহন্ত, জ্যোতি প্ৰসাদ মহন্ত, ৰমেন কলিতা, লক্ষীকান্ত ডেকা, মৃদুল বৰা, গুপ্তমণি শইকীয়া আদি কৰি ভালেসংখ্যক নাট্যনুৰাগী উপস্থিত থাকে। ইফালে নাট প্ৰতিযোগিতাখনত অংশগ্ৰহণ কৰিবলগীয়া নাট্য দলসমূহক অহা ১৫ অক্টোবৰৰ ভিতৰত নাটকৰ পাণ্ডুলিপিসমূহ জমা দিবলৈ আহ্বান জনাইছে নাট পৰিচালনা সমিতিয়ে। তদুপৰি নাট্য দলসমূহে নাট প্ৰতিযোগিতাখনৰ বিষয়ে সবিশেষ জানিবলৈ ৯১০১২৭৩৪৮৩, ৯৪৩৫২২৩১৭১, ৭৬৩৬৮৮৯৭৫২ নম্বৰত যোগাযোগ কৰিবলৈ নাট পৰিচালনা সমিতিয়ে জনাইছে।

নগালেণ্ডত কয়লা, শিল, মাটিৰ খনন বন্ধ নহয়

(১ পৃষ্ঠাৰ পৰা)● বানপানী হোৱাৰ লগতে নগালেণ্ডতো সেই পানীয়ে বহুত ঘৰ-দুৱাৰ ধ্বংস কৰাৰ উপৰি বাট-পথ নষ্ট কৰিলে। নগালেণ্ডৰ টুলিৰ পৰা মোককচাঙলৈ যোৱা ৬১ নং ৰাষ্ট্ৰীয় ঘাই পথটো আজিও যাতায়াতৰ বাবে সুচল হোৱা নাই। পাহাৰৰ মাটি খহি পথ বন্ধ হৈ আছে। নগালেণ্ডৰ অসম সীমান্ত পাৰ হোৱাৰ পাছৰ পৰাই বৃহৎ বৃহৎ পাহাৰ কাটি তাৰ মাটি যোৰহাট, শিৱসাগৰ, ডিব্ৰুগড়ৰ ফ'ৰলেন পথ নির্মাণৰ বাবে অনাৰ ফলত পাহাৰবোৰ সমতলৰ দৰে হৈ পৰিছে। এতিয়া বৃহৎ বৃহৎ পাহাৰৰ টিলা কাটি শেষ হোৱাৰ পাছত সৰু সৰু টিলাৰ মাটি কটাত হাত দিছে। উল্লেখ্য যে নগালেণ্ডৰ সকলো বনজ সম্পদৰ ওপৰত ব্যক্তিগত অধিকাৰ দিছে সংবিধানে। সেয়ে মাটি, শিল, কয়লা, গছ আদি নগালেণ্ডৰ বাসিন্দাই ব্যক্তিগতভাবে ক্ৰয়-বিক্ৰয় কৰিব পাৰে। কেইটামান টকাৰ বিনিময়ত বহু ধনাঢ্য ব্যক্তিয়ে কয়লা, শিল, মাটি আদি লীজত দিয়ে। যিসকল ব্যক্তিয়ে শিল, কয়লা, মাটি বিক্ৰী কৰে তেওঁলোক তাৰ বাসিন্দা নহয়। তেওঁলোকে ডিমাপুৰ, গুৱাহাটী, দিল্লী আদিত থাকে। নগালেণ্ডৰ শিল, মাটি, কয়লাৰ বাবে পাহাৰ খান্দি ধ্বংস কৰাৰ ফলত তেওঁলোকৰ একো লোকচান নহয়। কেৱল লোকচান হয় সাধাৰণ নগা ৰাইজৰ। পাহাৰ কাটি ধ্বংস কৰাৰ বাবেই আজি মোককচাঙৰ সৈতে যোগাযোগ আৰু যাতায়াত বন্ধ হৈ আছে। ইমার্জেন্সি কামত যাব লগা হ'লেই মৰিয়নি হৈ যাব লগা হয়। যাৰ বাবে সাধাৰণ নগা ৰাইজে দুর্ভোগ ভুগিব ● (৩পৃষ্ঠাত)

সাপ্তাহিক মৰিগাঁও

সম্পাদকীয়

বছৰ-৩০, সংখ্যা-৬, ৩- ছেপ্টেম্বৰ, ২০২৬, বৃহস্পতিবাৰ
Voll-30, No.- 6, 3- September, 2026,Thursday

অসমীয়া ভাষাৰ সুৰক্ষিত ভৰিষ্যৎ

(যোৱা সংখ্যাৰ পৰা) অসমীয়া জাতিৰ ঐক্য আৰু সংহতিৰ বাবেও ভাষাৰ সুৰক্ষা অত্যন্ত জৰুৰী। অসম বহুভাষিক আৰু বহুজাতিক সমাজৰে পৰিপূৰ্ণ ৰাজ্য । বিভিন্ন জনগোষ্ঠীৰ লোকসকলৰ মাজত অসমীয়া ভাষাই এক যোগসূত্ৰ স্থাপন কৰিছে। এই ভাষাটোক শক্তিশালী কৰাৰ অৰ্থ হ'ল এই ঐক্যৰ বান্ধোনডাল শক্তিশালী কৰা। আন জনগোষ্ঠীৰ লোকসকলক অসমীয়া ভাষা শিকিবলৈ আৰু ব্যৱহাৰ কৰিবলৈ উৎসাহিত কৰিব লাগে। তেওঁলোকৰ ভাষা আৰু সংস্কৃতিৰ প্ৰতি সন্মান জনাই, অসমীয়া ভাষাক উমৈহতীয়া ভাষা হিচাপে গ্ৰহণ কৰিবলৈ তেওঁলোকক অনুপ্ৰাণিত কৰিব লাগে। এই উমৈহতীয়া প্ৰচেষ্টাইহে অসমীয়া ভাষাৰ ভৱিষ্যত সুৰক্ষিত কৰিব পাৰিব। চৰকাৰ আৰু সামাজিক সংগঠনসমূহে আন জনগোষ্ঠীয় লোকসকলৰ মাজত অসমীয়া ভাষাৰ শিক্ষা প্ৰচাৰৰ বাবে বিশেষ কাৰ্যসূচী হাতত ল'ব লাগে। এইটো কেৱল ভাষিক জৰুৰী নহয়, ই এক সামাজিক প্ৰয়োজন। যেতিয়া বিভিন্ন জনগোষ্ঠীৰ মানুহে উমৈহতীয়াভাৱে অসমীয়া ভাষা ব্যৱহাৰ কৰে, তেতিয়া জাতি গঠনৰ প্ৰক্ৰিয়াটো শক্তিশালী হয়। ইয়াৰ দ্বাৰা পাৰস্পৰিক বুজাবুজি আৰু ভাতৃত্ববোধ বাঢ়ে। উল্লেখ্য যে শেহতীয়াকৈ অসমীয়া ভাষাই লাভ কৰা ধ্ৰুপদী ভাষাৰ স্বীকৃতি এক যুগান্তকাৰী পদক্ষেপ। এই স্বীকৃতিয়ে অসমীয়া ভাষাৰ ভৱিষ্যত সুৰক্ষাত এক সুদূৰপ্ৰসাৰী আৰু ইতিবাচক প্ৰভাৱ পেলাব। প্ৰথমে, এই মৰ্যাদাই অসমীয়া ভাষাৰ ঐতিহাসিক গুৰুত্ব আৰু সাহিত্যিক ঐতিহ্যক ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত স্বীকৃতি দিলে। এই স্বীকৃতিয়ে ভাষাটোৰ প্ৰতি মানুহৰ, বিশেষকৈ যুৱ প্ৰজন্মৰ মাজত এক নতুন গৌৰৱ আৰু আস্থাৰ সৃষ্টি কৰিব। দ্বিতীয়তে, ধ্ৰুপদী ভাষাৰ মৰ্যাদাৰ লগে লগে কেন্দ্ৰীয় চৰকাৰৰ পৰা ভাষাৰ গৱেষণা, শিক্ষা আৰু সাংস্কৃতিক প্ৰচাৰৰ বাবে পুঁজি আৰু সম্পদৰ যোগান বৃদ্ধি পাব। এই পুঁজিৰে বিশ্ববিদ্যালয়সমূহত অসমীয়া ভাষাৰ গৱেষণা কেন্দ্ৰ, আসন আৰু পাঠ্যক্ৰম আৰম্ভ কৰিব পৰা যাব, য'ত ভাষাটোৰ প্ৰাচীন সাহিত্য, শিলালিপি আৰু পুৰাতন গ্ৰন্থসমূহৰ ওপৰত গভীৰ অধ্যয়ন কৰা হ'ব। ইয়াৰ ফলত ভাষাবিদ আৰু গৱেষকসকলৰ বাবে নতুন কৰ্মসংস্থাপনৰ সৃষ্টি হ'ব। তৃতীয়তে, এই স্বীকৃতিয়ে অসমীয়া ভাষাৰ প্ৰাচীন গ্ৰন্থসমূহ সংৰক্ষণ আৰু ডিজিটাইজেচন কৰাৰ পথ প্ৰশস্ত কৰিব। প্ৰাচীন অসমীয়া পুথি, বিশেষকৈ শংকৰী যুগৰ সাহিত্য আৰু আন আন জ্ঞান সম্পদসমূহ ডিজিটেল ৰূপত বিশ্বজুৰি উপলব্ধ হ'ব, যিটো ভাষাৰ চিৰন্তন সংৰক্ষণৰ বাবে অত্যন্ত জৰুৰী। ধ্ৰুপদী ভাষাৰ বাবে নিৰ্ধাৰিত কেইবাটাও চৰ্তাৱলী অসমীয়া ভাষাই পূৰণ কৰিছিল, যেনে ১৫০০-২০০০ বছৰৰ পুৰণি লিখিত ইতিহাস, প্ৰাচীন সাহিত্যৰ ভঁৰাল আৰু নিজস্ব সাহিত্যিক পৰম্পৰা। এই চৰ্তসমূহ পূৰণ হোৱাৰ বাবেই ভাষাটোৱে এই মৰ্যাদা লাভ কৰিলে। এই মৰ্যাদাই অসমীয়া ভাষাক ভাৰতৰ আন আন ধ্ৰুপদী ভাষা, যেনে তামিল, সংস্কৃত আদিৰ সমকক্ষ কৰি তুলিলে, যিটো আমাৰ বাবে এক ডাঙৰ সন্মান। কিন্তু এই স্বীকৃতি লাভ কৰাৰ পিছতেই আমি সন্তুষ্ট হৈহাত সাৱটিবহি থাকিলে নহ'ব। এই সুবিধা আৰু সম্পদসমূহক সঠিকভাৱে ব্যৱহাৰ কৰি ভাষাটোক একবিংশ শতিকাৰ প্ৰত্যাহ্বানসমূহৰ মোকাবিলা কৰিব পৰাকৈ শক্তিশালী কৰি তুলিব লাগিব। এই মৰ্যাদাই সৃষ্টি কৰা নতুন সুযোগ গ্ৰহণ কৰি আমি ভাষাৰ ভৱিষ্যত উজ্জ্বল কৰিব পাৰিম। (আগলৈ)

নগালেণ্ডত কয়লা, শিল, মাটিৰ খনন বন্ধ নহয়

(২পৃষ্ঠাৰ পৰা)● লগা হৈছে। ইয়াৰ ফলত নগালেণ্ডৰ টুলি, ১৯ মাইল, মোককচাং আদি অঞ্চলৰ নগা লোক অসন্তুষ্ট হোৱাৰ বাতৰি আহিছে। নগালেণ্ডৰ মলং আৰু নামচাং অঞ্চলত কয়লাৰ মুক্ত খনন হয়। ১৫/২০ কিল'মিটাৰ ব্যাসাৰ্ধৰ একোটা পাহাৰ কাটি কয়লা উলিওৱা হয়। অন্যহাতে সেই একেদৰেই বোমা ব্লাষ্টিং কৰি শিল উলিওৱা হয়। আমগুৰি-হালোৱাটিং হৈ নগালেণ্ডলৈ যদি যোৱা হয় পথৰ দাঁতিত শতাধিক শিল ভঙা মেচিন দেখা যায়। এই শিল ব্যৱসায়ত ৰাধা, গৌৰৱ, ভাইমন, পিংকু আদি বহুকেইজন জড়িত হৈ আছে। তেওঁলোকে নগা লোকৰ পৰা এটা পাহাৰ পাঁচ-দহ বছৰলৈ লীজত লৈ ব্যৱসায় চলাই থাকে। নগালেণ্ডৰ শিল, কয়লা, মাটি খনন বন্ধ কৰিবলৈ হ'লে নগালোকৰ সহযোগে লাগিব। তেওঁলোকে নগালেণ্ডত প্ৰতিবাদ কৰি বন্ধ নকৰিলে অসমত প্ৰতিবাদ কৰি একো কৰিব নোৱাৰে। আন্তঃৰাজ্যিক নিয়ম অনুসৰি এখন ৰাজ্যৰ পৰা আন এখন ৰাজ্যলৈ যিকোনো সামগ্ৰী সৰবৰাহ কৰাৰ অধিকাৰ আছে। প্ৰয়োজনীয় নথি-পত্ৰ লৈ সকলোৱেই এই ব্যৱসায় কৰাৰ অধিকাৰ আছে। অৱশ্যে নগালেণ্ডৰ অহা বহু কয়লা, শিল, মাটি গাড়ী অবৈধভাৱেও অসমত প্ৰৱেশ কৰে আৰু ইয়াতেই ৰাজনৈতিক পৃষ্ঠপোষক থাকে। তলৰ পৰা ওপৰ মহললৈকে মেনেজ কৰি অবৈধভাৱেও শিল, মাটি, কয়লা ব্যৱসায় চলি থাকে। নগালেণ্ডৰ সাধাৰণ নাগৰিকে এইবাৰ বানত জীয়াতু ভোগাৰ পাছত প্ৰতিবাদমুখৰ হোৱাৰ বাতৰি আহিছে। নগালেণ্ডত প্ৰতিবাদ হ'লেই শিল, বালি, কয়লা ব্যৱসায় বন্ধ হৈ পৰিব যদিও অসমে ইয়াত কোনো হস্তক্ষেপ কৰিব নোৱাৰে।

হৃদৰোগী সকলৰ বাবে কিছুমান খাদ্য সম্পৰ্কীয় পৰামৰ্শ

হৃদৰোগত ভোগা ৰোগীসকলে প্ৰতিদিনে নিজৰ খোৱা খাদ্যৰ কেলৰি লগতে খাদ্য প্ৰকাৰৰ ওপৰত গুৰুত্ব দিয়া উচিত। খোৱা খাদ্যত ঘিউ, বাটাৰৰ সলনি চান ফ্লাৱাৰ অইল, অলিভ অইল, ভেজিটেবল অইল সীমিত পৰিমাণে ব্যৱহাৰ কৰা উচিত। ৰোগী সকলে সদায় সুষম আহাৰ গ্ৰহণ কৰাৰ ওপৰত গুৰুত্ব দিয়া উচিত।

তলত দিয়া খাদ্যবোৰ ৰোগী সকলে নিশ্চিতমনে খাব পাৰে ঃ

(ক) কেঁচা শাক-ফল-মূল।

(খ) চুপ, চালাড়।

(গ) পাতল লচ্চি (বা দৈৰ পানী)

(ঘ) নাৰিকলৰ পানী।

(ঙ) নহৰু, পিঁয়াজ, হালধী আদি।

তলত দিয়া খাদ্যবোৰ সীমিত পৰিমাণত গ্ৰহণ কৰিব লাগে ঃ

(ক) ৰুটি (শুকান), ভাত, ব্ৰড (ব্ৰাউন)।

(খ) দাইল, কম চৰ্বিযুক্ত যেনে - মুৰ্গী, মাছ য'ত কম তেল ব্যৱহাৰ হয়।

(গ) কম চৰ্বীযুক্ত গাখীৰ, পণিৰ, ক্ৰীমহীন দৈ।

(ঘ) মাটিৰ তলৰ পোৱা পাচলি যেনে- আলু, মিঠাআলু, বীট।

(ঙ) চেনী, গুড় আৰু নিমজ আৰু ভেজিটেবল অইল।

(চ) ভেজিটেবল অইল।

তলত দিয়া খাদ্যবোৰ খোৱা বন্ধ কৰিব লাগে ঃ

(ক) মিঠাই য'ত ঘিউ আদিৰ ব্যৱহাৰ কৰা হয় যেনে - গোলাপ জামুন, বুণ্ডিয়া লাৰু, ক'লা জামু, আইচক্ৰিম, ক্ৰিম আদি।

(খ) বেছিকৈ তেলত ভজা খাদ্য যেনে- পকৰা, জিলাপী।

(গ) কণীৰ কুসুম, বেকন, ৰঙা মাংস, লিভাৰ, কিডনী।

(ঘ) মাদকীয় দ্ৰব্য, চিগাৰেট, ধপাত, ক'ল্ডড্ৰিঙ্কচ।

(ঙ) ঘিউ, বাটাৰ, ক্ৰীম, মেঅ'নিজ।

(চ) নিয়মীয়া বস্তু আৰু বেকাৰীৰ বস্তু।

কিছুমান মনকৰিবলগীয়া কথা ঃ

(ক) বাটাৰ আৰু মাৰ'জৰিনে সমান কেলৰি দিয়ে। সেয়ে বাটাৰৰ লগত মাৰ'জৰিন খোৱা অনুচিত।

(খ) বেছি তেলত ভজা বস্তু খোৱা অনুচিত।

(গ) খোৱা খাদ্যবোৰৰ ৰন্ধাৰ বাবে ন'ন ষ্টিক পেন আদি ব্যৱহাৰ কৰা উচিত।

(ঘ) বজাৰত পোৱা পেকেট জাতীয় খাদ্য খোৱাৰ আগতে তাৰ চডিয়ামৰ পৰিমান চোৱা উচিত।

(ঙ) নিতৌ ডায়েটত আৰু সতেজ ফল অন্তৰ্ভুক্ত কৰা উচিত।

(চ) নিতৌ ৮ গিলাচ পানী খোৱা উচিত।

(ছ) নিতৌ ব্যায়াম কৰা উচিত। কোনো নতুন ব্যায়াম আৰম্ভ কৰাৰ আগতে ডাক্তৰৰ লগত পৰামৰ্শ কৰক।

মন কৰিবলগীয়া ঃ ঘিউ, বাটাৰ (মাখন), তেল আদি সিমিত পৰিমাণত ব্যৱহাৰ কৰিব।

।। ৰাইজৰ সেৱাৰ্থে আগবঢ়োৱা হ'ল।।

ড° সর্বপল্লী ৰাধাকৃষ্ণণৰ জীৱন-দর্শন আৰু 'শিক্ষক দিৱস'ৰ প্রাসংগিকতা

(১ পৃষ্ঠাৰ পৰা)● বিধান পৰিষদৰ সদস্য (১৯৪৭ চনত) ছোভিয়েট ৰাছিয়াত ভাৰতৰ ৰাষ্ট্রদূত, স্বাধীন ভাৰতৰ প্রথম উপৰাষ্ট্রপতি (১৯৫১ চনত) আৰু দ্বিতীয় ৰাষ্ট্রপতি (১৯৬২চনৰ পৰা ১৯৬৭ চনলৈ) আদি ৰাজনীতিৰ বিভিন্ন সর্বোচ্চ পদত অধিষ্ঠিত হৈ অতি সফলতাৰে কার্যক্রমনিকা চলাই যোৱা ড° সর্বপল্লী ৰাধাকৃষ্ণণে নিজকে এজন আদর্শ শিক্ষক হিচাপে পৰিচয় দি হে আত্মগৌৰৱ অনুভৱ কৰিছিল আৰু তেওঁৰ সদিচ্ছাৰ প্রতি সন্মান প্রদর্শন কৰি তেওঁৰ জন্মদিনটোক ' শিক্ষক দিৱস' হিচাপে উদ্যাপন কৰি অহা হৈছে। ড° সর্বপল্লী ৰাধাকৃষ্ণণে ১৯০৯ চনৰ এপ্রিল মাহত চেন্নাইৰ প্রেচিডেন্সি কলেজত দর্শন বিভাগৰ সহকাৰী অধ্যাপক ৰূপে নিযুক্তি লাভ কৰে। ১৯১৮ চনত তেওঁ মহীশূৰ বিশ্ববিদ্যালয়ৰ দর্শন বিভাগৰ অধ্যাপক হিচাপে যোগদান কৰে। পিছত কলিকতা বিশ্ববিদ্যালয়ৰ উপাচার্য চাৰ আশুতোষ মুখোপাধ্যায়ৰ আমন্ত্রণ ক্রমে ড° সর্বপল্লী ৰাধাকৃষ্ণণে ১৯২১ চনত দর্শন বিভাগৰ অধ্যাপক হিচাপে যোগদান কৰে। সেই সময়ত ১৯২৬ চনত বহা ব্রিটিছ সাম্রাজ্যৰ 'বিশ্ববিদ্যালয় কংগ্রেছ' লৈ কলিকতা বিশ্ববিদ্যালয়ৰ প্রতিনিধিত্ব কৰি লণ্ডন আৰু মানচেষ্টাৰ কলেজত বক্তৃতা প্রদান কৰি ভূয়সী প্রশংসা লাভ কৰিছিল। ১৯২৯ চনত আকৌ লণ্ডন আৰু অক্সফোর্ড বিশ্ববিদ্যালয়েৰ পৰা আমন্ত্রণ পাই তেওঁ 'হিবার্ট' বক্তৃতালানি প্রদান কৰিছিল। ১৯৩১ চনত ড° সর্বপল্লী ৰাধাকৃষ্ণণে অন্ধ্র বিশ্ববিদ্যালয়ৰ উপাচার্য হিচাপে কার্যনির্বাহ আৰম্ভ কৰে ১৯৩৬ চনৰ পৰা ১৯৩৯ চনলৈকে তেওঁ অক্সফর্ড বিশ্ববিদ্যালয়ৰ 'স্পেল্ডিং প্রফেছৰ অফ ইষ্টার্ণ ৰিলিজিঅন' হিচাপে শিক্ষাদান কার্যত ব্রতী হয়। ইয়াৰ পিছত তেওঁ ১৯৩৯ আৰু ১৯৪০ চনত কাশী বিশ্ববিদ্যালয় আৰু অক্সফোর্ড বিশ্ববিদ্যালয়ৰ দ্বৈতভাৱে নিযুক্তি লাভ কৰিছিল আৰু ১৯৫৩ চনৰ পৰা ১৯৬২ চনলৈ কাশী বিশ্ববিদ্যালয়ৰ উপাচার্য হিচাপে কার্যনির্বাহ কৰিছিল। তাৰ উপৰিও ড° সর্বপল্লী ৰাধাকৃষ্ণণে দক্ষিণ আফ্রিকা, চীন, ছোভিয়েট ৰাছিয়া আদি পৃথিৰীৰ বিভিন্ন দেশলৈ গৈ তেওঁৰ মহামূল্যবান বক্তৃতা প্রদান কৰিছিল। তদুপৰি বিভিন্ন সময়ত বিশ্ববিদ্যালয়ত পাঠদান বা বক্তৃতাসমূহ সংকলিত কৰি ড° সর্বপল্লী ৰাধাকৃষ্ণণে উচ্চ দার্শনিক সমৃদ্ধ মহা মূল্যবান গ্রন্থ কৰিছিল। তেওঁ ১৯১৮ চনত ৰবীন্দ্রনাথ ঠাকুৰৰ জীৱন দর্শনৰ ভিত্তিত ৰচনা কৰে 'ৰবীন্দ্রনাথৰ দর্শন' সেই সময়ত তেওঁ এখন গ্রন্থ ৰচনা কৰে 'সমসাময়িক দর্শনত ধর্মৰ প্রভাৱ' তেওঁ ভাৰতৰ হিন্দু সভ্যতা, হিন্দুসকলৰ উৎপত্তি সম্পর্কে ব্যাখ্যা কৰি ৰচনা কৰে " The Hindu view of life" উক্ত গ্রন্থত তেওঁ মন্তব্য আগবঢ়ায় যে, At the outset one is confronted by the difficulty of defining what Hinduism is. To many it seems to be a name without any content. এই ভুল ধাৰণা শুদ্ধ কৰি দি কৈছিল যে বর্তমান হিন্দুধর্ম এক "Religion "লৈ পর্যবসিত হৈছে যদিও ই জীৱন ধাৰণৰ প্রণালীহে (way of life) তেওঁ লিখি উলিওৱা 'কল্কি অব দি ফিউচাৰ অব চিভিলাইজেচন' (১৯২৮চনত) উল্লেখ কৰিছে যে বিজ্ঞানে মানুহৰ উপকাৰ কৰে যদিও মন আৰু আত্মাৰ বিকাশ সাধন নকৰে। তাৰ বাবে প্রয়োজন হ'ল ধর্ম আৰু দর্শন। An idealist view of life " গ্রন্থত ড° সর্বপল্লী ৰাধাকৃষ্ণণে ভাৰতৰ আর্য সভ্যতাৰ বিকশিত ৰূপ ধুনীয়াকৈ ফুটাই তুলিছে। তেওঁ অক্সফোর্ড বিশ্ববিদ্যালযত দান কৰা বক্তৃতালানিৰ সংকলনেই হ'ল "East and West in Religion" এই গ্রন্থখনৰ মূল বক্তব্য হ'ল, ন্যায়-নীতি আচৰণ কৰা, দয়া-প্রেমৰ অনুশীলন কৰা, সহযাত্রী মানৱৰ সুখ দর্শন কৰা এয়াই প্রকৃত ধর্ম। তেওঁ চীন দেশলৈ গৈ কৰা বক্তৃতালানিৰ সংকলনেই হ'ল, "India and China . তেওঁ নেহৰুৰ বিষয়ে লিখা গ্রন্থ " On Nehru" ভাৰত চৰকাৰৰ পৃষ্ঠপোষকতাত ১৯৬৫ চনত প্রকাশ হয়। "Religion on changing world" ত বুদ্ধদেৱৰ দার্শনিক তত্বৰ অন্তর্নিহিত সত্য দাঙি ধৰিছে। তেওঁ "Eastern Religion and western Thought" ত গ্রন্থত উল্লেখ কৰিছে যে, বুদ্ধই এজন অবৈজ্ঞানিক তার্কিকৰ দৰে মানুহৰ হৃদয় জয় কৰিবলৈ যোৱাই নাই, যীশুৰ দৰে সত্য আৰু ত্যাগ অনুশীলন কৰি মানুহলৈ কঢ়িয়াই আনিছে শান্তি আৰু অহিংসাৰ বাণী। ইছলামৰ বাণীয়ে ভাৰতত শান্তিৰ বাতাবৰণ সৃষ্টি কৰা বুলিও উল্লেখ কৰিছে। তেওঁ ৰচনা কৰা মহৎ গ্রন্থ "Towards a new World" ত দৃঢ়তাৰে ঘোষণা কৰিছে যে, " Intelectual authority is superior to inherited authority " অর্থাৎ পৰম্পৰাগত কর্তৃত্বতকৈ বৌদ্ধিক কর্তৃত্বক সদায় আগস্থান দিব পাৰি। Spirit of Religion " ড° সর্বপল্লী ৰাধাকৃষ্ণণে উল্লেখ কৰিছে যে, বিভিন্ন সংঘাতৰ উৎস ধর্মৰ বিভিন্নতাৰ বাবে সৃষ্টি নহয়, সংঘাতৰ মূল উৎস সহনশীলতাৰ অভাৱ। তেওঁৰ " Religion and Civilization" গ্রন্থত এই বিষয়ে আৰু সুন্দৰকৈ ব্যাখ্যা কৰিছে যে, আমি যদি সহনশীলতাক অনুশীলন কৰোঁ, তেনেহ'লে ধর্মীয় কঠোৰতা আৰু ধর্মান্ধতা দূৰতে বিদূৰ হ'ব। তেওঁৰ মতে কোনোবাই যদি তেওঁৰ ধর্মক শ্রেষ্ঠ ধর্ম বুলি প্রচাৰ কৰে , তেনেহলে তেওঁ অধার্মিকহে। তেওঁ নাস্তিকসকলকো উদাৰ ভাবে গ্রহণ কৰিছে। কাৰণ নাস্তিকসকলে ঈশ্বৰক বিশ্বাস নকৰিলেও তেওঁলোকেও এটা বিশেষ ধাৰণাক বুকুত ধাৰণ কৰে। এনে এজন অসামান্য প্রতিভাৰ অধিকাৰী ড° সর্বপল্লী ৰাধাকৃষ্ণণৰ জন্মদিনটোক 'শিক্ষক দিৱস' হিচাপে পালন কৰিবলৈ পাই আমি সচাঁকৈয়ে গৌৰৱান্বিত। এইখিনিতে ' শিক্ষক দিৱস' ৰ প্রাসংগিকতা আহি পৰে। শিক্ষক বিলাক হ'ল, দেশৰ ধৰণী-স্বৰূপ ,সমাজৰ গঢ় দিওঁতা, জাতিৰ প্রতিষ্ঠাপক, মেৰুদণ্ড-স্বৰূপ। তেওঁৰ শিক্ষাদানৰ মাজেৰে এখন সমাজৰ ভাষা,সাহিত্য, কলা, কৃষ্টি, সংস্কৃতি, ৰাজনীতি, সমাজনীতি, অর্থনীতি,ধর্ম, দর্শন আদি সকলো বিকশিত হৈ পৰে। শিক্ষাহীন সমাজ প্রাণহীন দেহৰ দৰে । শিক্ষকসকল হ'ল, জ্ঞান আৰু বিবেকৰ মূর্ত প্রতীক, এজন প্রকৃত পথ-প্রদর্শক। মালীয়ে ফুলনিৰ পুলিবোৰক উপযুক্ত সাৰ-পানী দি পৈণত কৰাৰ দৰে বিবেকবান ,ধীৰ-স্থিৰ , মানৱিক সজাগ কর্মপটু, ন্যায়পৰায়ণ, আদর্শ শিক্ষকৰ তত্বাৱধানত ছাত্র-ছাত্রীৰ শ্রীবৃদ্ধি হয়। মহাত্মা গান্ধীৰ মতে শিক্ষকসকলৰ শিশুসুলভ মন থাকিব লাগে। শিক্ষকসকলক ভাৰতৰ সমাজত আগস্থান দিবলৈ মহান শিক্ষাবিদ ৰুচো, কিণ্ডাৰ গার্টেন (KG) শিক্ষা পদ্ধতিৰ প্রতিষ্ঠাতা জার্মানীৰ শিক্ষাবিদ ফ্রেডৰিখ ফ্রয়েবেল আৰু বিশ্ববৰেণ্য দার্শনিক পণ্ডিত ড° সর্বপল্লী ৰাধাকৃষ্ণণৰ মহান আদর্শত উদ্বুদ্ধ হৈ শিক্ষকসকল আগবাঢ়ি যোৱা উচিত। এই মহান আদর্শক সাফল্যমণ্ডিত কৰিবলৈ ড° সর্বপল্লী ৰাধাকৃষ্ণণৰ জন্মদিনটোক (৫ ছেপ্তেম্বৰ) 'শিক্ষক দিৱস' হিচাপে উদ্যাপন কৰি অহা হৈছে। এনেকি ১৯৬৩ চনৰ ২৫ জুন তাৰিখে ভাৰত চৰকাৰৰ কেন্দ্রীয় মানৱ বিকাশ মন্ত্রালয়ে গঠন কৰা 'শিক্ষক কল্যাণ পুঁজি' ৰ পৰা প্রতি বছৰে কৃতী শিক্ষকসকলক 'ৰাষ্ট্রীয় আৰু ৰাজ্যিক পর্যায়ত' সম্বর্ধনা জনায় আৰু নানা ধৰণৰ আর্থিক সাহায্য প্রদান কৰি আহিছে। কিন্তু, শিক্ষকসকলৰ প্রতি সমাজৰ বা চৰকাৰৰ নানা কৰণীয় আছে। কেৱল 'শিক্ষক দিৱস' ৰ দিনা কৃতী শিক্ষকসকলক সম্বর্ধনা জনালেই নহ'ব (তাতে আকৌ ৰাজনীতিকৰণ হোৱা দেখা যায়) শিক্ষকসকলক নিয়মীয়া, অমঞ্জুৰি-প্রাপ্ত, ঠিকাভিত্তিক, টিউটৰ আদি বিভিন্ন নামকৰণ নকৰি স্থায়ীভাৱে নিযুক্তি প্রদান কৰি উপযুক্ত দৰমহা আৰু পুৰণি পেন্সন নীতিৰ আধাৰত অৱসৰপ্রাপ্ত শিক্ষকক সকলো সুবিধা দান কৰিব বুলি আশা ৰাখিলোঁ। তদুপৰি, শিক্ষকসকল আৰু তেওঁলোকৰ সন্তানক অন্ন, বস্ত্র বাসস্থান শিক্ষা স্বাস্থ্যৰ সম্পূর্ণ নিৰাপত্তা দান কৰিব বুলি চৰকাৰে নিশ্চয়তা প্রদান কৰে যেন। তেতিয়াহে শিক্ষকসকলে শিক্ষাদানৰ দৰে মহান ব্রতত নিজকে আত্মনিয়োগ কৰিব পাৰিব।

বিশ্বাসযোগ্যতা এখন সুস্থ সমাজৰ চাবিকাঠি

(১ পৃষ্ঠাৰ পৰা)● হ'ল এটা পৰিত্র বন্ধন, যিয়ে সমাজৰ ভিন্ন মতাদর্শ আৰু চিন্তাক একত্রিত কৰি এক সুস্থিৰ পৰিৱেশৰ সূচনা কৰে।

বিশ্বাসযোগ্যতাৰ গভীৰ অর্থ আৰু চৰিত্রৰ স্বচ্ছতা ঃ বিশ্বাসযোগ্যতা শব্দটো দেখাত সৰু যেন লাগিলেও ইয়াৰ অর্থৰ গভীৰতা আৰু প্রাসংগিকতা অপৰিসীম। ই কেৱল এটা শব্দ নহয়, ই হ'ল এজন মানুহৰ সমগ্র ব্যক্তিত্ব আৰু চৰিত্রৰ এক স্বচ্ছ প্রতিচ্ছবি। এজন বিশ্বাসযোগ্য মানুহৰ অর্থ হ'ল তেওঁৰ চিন্তা, কথা আৰু কামৰ মাজত কোনো ধৰণৰ পার্থক্য বা বিৰোধ নাই। সংস্কৃতত এযাৰ কথা আছে য'ত কোৱা হৈছে যে মহৎ লোকসকলৰ মন, বাক্য আৰু কর্ম সদায় একেই হয়। যিজন ব্যক্তিৰ বাক্যই তেওঁৰ চৰিত্রৰ শ্রেষ্ঠ প্রমাণ দিয়ে, তেওঁহে আচলতে প্রকৃত বিশ্বাসৰ যোগ্য। যেতিয়া কোনো এজন ব্যক্তিয়ে আন এজনৰ ওপৰত নিসংকোচে আস্থা প্রকাশ কৰে, তেতিয়া তাত এক বিশাল নৈতিক দায়িত্ববোধ সোমাই থাকে।

বিশ্বাস কৰা মানুহজনে আচলতে তেওঁৰ হৃদয়ৰ আটাইতকৈ স্পর্শকাতৰ অংশটো আৰু তেওঁৰ নিৰাপত্তাৰ দায়িত্ব আনৰ হাতত গতাই দিয়ে। এইটোৱেই হ'ল পৃথিৰীৰ আটাইতকৈ দামী আৰু অমূল্য উপহাৰ। কাৰণ যিকোনো বস্তুগত উপহাৰ ৰজাৰত টকাৰে কিনিব পাৰি, কিন্তু কাৰোবাৰ বিশ্বাস কেতিয়াও কিনিবলৈ পোৱা নাযায়। ই হ'ল এক আধ্যাত্মিক প্রাপ্তি যিটো কেৱল নিৰন্তৰ সততা, আত্মত্যাগ ●(৫পৃষ্ঠাত)

বিশ্বাসযোগ্যতা ঃ এখন সুস্থ সমাজৰ চাবিকাঠি

(৪ পৃষ্ঠাৰ পৰা)● আৰু নিষ্ঠাৰ বিনিময়তহে অর্জন কৰিব পাৰি। এজন ব্যক্তিৰ বিশ্বাসযোগ্যতা তেওঁৰ অলংকাৰস্বৰূপ, যাৰ জেউতিয়ে অন্ধকাৰ সময়তো তেওঁৰ পথ প্রদর্শকৰ কাম কৰে। চৰিত্রৰ এই স্বচ্ছতাই এজন মানুহক ভিৰৰ মাজতো একক আৰু অনন্য কৰি তোলে।

উপহাৰৰ শ্রেষ্ঠত্ব ঃ বিশ্বাস বনাম বস্তুগত সম্পদ ঃ আমাৰ দৈনন্দিন জীৱনত আমি উপহাৰ বুলিলে কোনো সামগ্রী বা বস্তুকে বুজোঁ। জন্মদিন, বিবাহ বা আন কোনো বিশেষ দিনত দিয়া এই উপহাৰবোৰৰ এক নির্দিষ্ট আর্থিক মূল্য থাকে। কিন্তু সেইবোৰ বস্তু সময়ৰ সোঁতত পুৰণি হয়, ব্যৱহাৰ অনুপযোগী হয় বা এদিন হেৰাই যায়। ইয়াৰ বিপৰীতে বিশ্বাস নামৰ উপহাৰটো এনেকুৱা এটা সম্পদ যিটো সময়ৰ লগে লগে অধিক উজ্জ্বল আৰু শক্তিশালী হৈহে উঠে। কোনোবাই আপোনাক বিশ্বাস কৰা মানেই হ'ল তেওঁ আপোনাক তেওঁৰ জীৱনৰ এজন গুৰুত্বপূর্ণ অংশীদাৰ হিচাপে গ্রহণ কৰিছে।

যিজন ব্যক্তিৰ ওপৰত তেওঁৰ পৰিয়াল, আত্মীয়-স্বজন আৰু সমাজৰ লোকে চকু মুদি নির্ভৰ কৰিব পাৰে, তেওঁতকৈ ভাগ্যৱান আৰু চহকী ব্যক্তি পৃথিৱীত আন কোনো নাই। এই বিশ্বাসযোগ্যতাই এজন মানুহক সামাজিক মর্যাদা দিয়াৰ লগতে এক অপাৰ মানসিক শান্তি আৰু আত্মসন্তুষ্টি প্রদান কৰে। ই এজন ব্যক্তিক ভিৰৰ মাজতো এক সুকীয়া মর্যাদা দিয়ে। ধন থাকিলে মানুহৰ নাম হয়, কিন্তু বিশ্বাসযোগ্যতা থাকিলে মানুহৰ প্রতি আন্তৰিক সন্মান ওপজে। এই সন্মানহে প্রকৃত অর্থত মানুহৰ পৰম প্রাপ্তি। বহু সময়ত দেখা যায় যে এজন ধনী ব্যক্তিতকৈ এজন বিশ্বাসী দুখীয়া মানুহৰ কথাৰ গুৰুত্ব সমাজত অধিক হয়। এইটোৱেই হ'ল বিশ্বাসযোগ্যতাৰ প্রকৃত ক্ষমতা।

বিশ্বাসৰ নির্মাণ আৰু ইয়াৰ স্থিতিস্থাপকতা ঃ বিশ্বাসযোগ্যতা অর্জন কৰাৰ প্রক্রিয়াটো অতিশয় লেহেমীয়া আৰু ইয়াৰ বাবে অপৰিসীম ধৈর্যৰ প্রয়োজন। ই যেন এজোপা বিশাল বটবৃক্ষৰ নিচিনা। এজোপা গছ এদিনতে যিদৰে বিশাল হৈ নুঠে, তেনেদৰে বিশ্বাসো এদিনতে গঢ়ি তোলাটো কেতিয়াও সম্ভৱ নহয়। ইয়াৰ বাবে প্রয়োজন হয় বছৰ বছৰ ধৰি কৰা একাগ্রতা, প্রতিশ্রুতি ৰক্ষা আৰু কঠোৰ নৈতিকতাৰ চর্চা। এজন ব্যক্তিক সম্পূর্ণৰূপে বিশ্বাস কৰিবলৈ মানুহক বহু সময়ৰ পৰীক্ষাৰ প্রয়োজন হয়। মানুহে আনৰ চৰিত্রটোক বিভিন্ন কঠিন পৰিস্থিতিত বাৰে বাৰে পৰীক্ষা কৰি চায় আৰু যেতিয়া দেখে যে ব্যক্তিজন সকলো বিপদৰ মাজতো অটল আৰু সত্যবাদী, তেতিয়াহে তেওঁৰ ওপৰত আস্থা স্থাপন কৰে।

কিন্তু মন কৰিবলগীয়া কথা এয়ে যে যি বিশ্বাস গঢ়িবলৈ সমগ্র জীৱনটো ব্যয় হয়, তাক ভাঙিবলৈ মাত্র এটা মুহূর্তৰ ভুল বা এটি সৰু মিছাই যথেষ্ট। বিশ্বাসৰ কাঁচখন এবাৰ ভাঙি গ'লে তাক যিমানেই শক্তিশালী আঠাৰে জোৰা নিদিয়ক কিয়, ই কেতিয়াও আগৰ দৰে নির্মল আৰু নিভাঁজ হৈ নাথাকে। সেই ফাটটো চৰিত্রত চিৰদিনৰ বাবে ৰৈ যায়। সেয়েহে বিশ্বাস গঢ়াতকৈ ইয়াক ৰক্ষা কৰাটো অধিক সচেতনতাৰ কাম। যিজনে নিজৰ চৰিত্রৰ এই কাঁচখন নির্মলকৈ ৰাখিব পাৰে, তেৰেঁই আচলতে এজন সংগ্রামী পুৰুষ। বিশ্বাস ৰক্ষা কৰিবলৈ বহু সময়ত আপুনি নিজৰ ব্যক্তিগত লাভো ত্যাগ কৰিবলগীয়া হ'ব পাৰে, আৰু সেইটোৱেই হ'ল আচল পৰীক্ষা।

যান্ত্রিক সভ্যতা আৰু বিশ্বাসৰ গভীৰ সংকট ঃ বর্তমানৰ এই যান্ত্রিক আৰু তীব্র প্রতিযোগিতামূলক সমাজত বিশ্বাসযোগ্যতাৰ অভাৱ এক বিৰাট সংকট হিচাপে দেখা দিছে। এতিয়া মানুহে নিজৰ স্বার্থৰ বাবে ইজনে সিজনক প্রতাৰণা কৰিবলৈ অলপো কুণ্ঠাবোধ নকৰে। মিছা প্রতিশ্রুতি আৰু ছদ্মবেশেৰে আনক আকর্ষণ কৰাটো এতিয়া বহুতৰে জীৱনৰ কৌশল বা তথাকথিত স্মার্টনেছ হৈ পৰিছে। মানুহৰ মাজত পাৰস্পৰিক বিশ্বাসৰ ঠাইত এতিয়া সন্দেহ আৰু প্রতিযোগিতাই স্থান লৈছে। প্রযুক্তিৰ উন্নয়নে আমাক ওচৰ চপাই আনিলে যদিও মনৰ দূৰত্ব বহুগুণে বৃদ্ধি কৰিলে। আজি আমি একেখন মেজতে বহি আছোঁ যদিও ইজনে সিজনক সম্পূর্ণ বিশ্বাস কৰিবলৈ টান পাওঁ।

এনে এক কলুষিত পৰিৱেশত যদি কোনো এজন ব্যক্তিয়ে নিজৰ নৈতিকতাৰ ওপৰত থিয় দি আনৰ বিশ্বাস ৰক্ষা কৰিব পাৰে, তেন্তে তেওঁ সমাজৰ বাবে এক পোহৰৰ স্তম্ভ স্বৰূপ। কর্মক্ষেত্রতো এজন ব্যক্তিৰ মেধা বা ডিগ্রীতকৈ তেওঁৰ বিশ্বাসযোগ্যতাৰ মূল্য বহুগুণে বেছি। এজন মালিক বা প্রতিষ্ঠানৰ বাবে এজন অতি দক্ষ কিন্তু অবিশ্বাসী কর্মীতকৈ এজন মধ্যম মানৰ কিন্তু সম্পূর্ণ বিশ্বাসী কর্মীহে বেছি প্রয়োজনীয়। ব্যৱসায় জগতত যাৰ ক্রেডিট বা বিশ্বাসযোগ্যতা থাকে, তেওঁহে দীর্ঘদিন ধৰি সফলতাৰ শিখৰত থাকিব পাৰে। বিশ্বাস অবিহনে কোনো ব্যৱসায়িক লেনদেন বা সামাজিক সংগঠন কেতিয়াও স্থিৰ হৈ থাকিব নোৱাৰি। আন্তর্জাতিক সম্পর্কৰ ক্ষেত্রতো দেশসমূহৰ মাজত থকা বিশ্বাসেই বিশ্ব শান্তিৰ মূল আধাৰ। যেতিয়া বিশ্বাস হেৰাই যায়, তেতিয়াই যুদ্ধ আৰু সংঘাতৰ আৰম্ভণি হয়।

পৰিয়াল আৰু ব্যক্তিগত সম্পর্কত বিশ্বাসৰ অমৃত ঃ পৰিয়াল আৰু ব্যক্তিগত সম্পর্কবোৰৰ মাজত বিশ্বাস হ'ল অক্সিজেনৰ দৰে। এজন স্বামী আৰু স্ত্রীৰ মাজত, এজন পিতৃ আৰু সন্তানৰ মাজত বা দুজন অন্তৰংগ বন্ধুৰ মাজত যদি বিশ্বাস নাথাকে, তেন্তে সেই সম্পর্কটো কেৱল এটা বোজা বা জঁকাৰ দৰে হৈ পৰে। বিশ্বাস থাকিলে জীৱনৰ সৰু সৰু ভুলবোৰো ক্ষমা কৰি দিব পাৰি, কিন্তু বিশ্বাসৰ অভাৱ হ'লে নির্দোষ আচৰণকো সন্দেহৰ চকুৰে চোৱা হয়। পৰিয়াল হ'ল সমাজৰ আটাইতকৈ সৰু কিন্তু গুৰুত্বপূর্ণ গোট। ইয়াৰ ভেটি যদি বিশ্বাসৰ ওপৰত নহয়, তেন্তে এখন সুস্থ সমাজ গঢ়ি উঠাটো অসম্ভৱ।

আমি যেতিয়া কওঁ যে মোৰ এজন বন্ধু আছে যাৰ ওপৰত মই চকু মুদি ভৰসা কৰিব পাৰোঁ, তেতিয়া জানিব যে সেই বন্ধুজনে আপোনাক পৃথিৱীৰ সর্বশ্রেষ্ঠ নিৰাপত্তা প্রদান কৰিছে। কাৰোবাৰ বাবে বিশ্বাসযোগ্য হোৱা মানেই হ'ল তেওঁৰ হৃদয়ৰ আটাইতকৈ সুৰক্ষিত কোঠালিটোত স্থান লাভ কৰা। এইটো এনে এক বিৰল উপলব্ধি যিটোৱে মানুহক অকলশৰীয়া হোৱাৰ পৰা ৰক্ষা কৰে আৰু সমাজত জীয়াই থকাৰ সাহস দিয়ে। যিখন পৰিয়ালত পৰস্পৰৰ মাজত বিশ্বাস অটুট থাকে, সেই পৰিয়ালত দাৰিদ্র্য থাকিলেও একতাৰ সুখ থাকে। আনহাতে বিশ্বাসহীন পৰিয়ালত অট্টালিকা থাকিলেও মানসিক অশান্তিয়ে ছাঁ দি থাকে।

মানসিক প্রশান্তি আৰু বিবেকৰ নির্মলতা ঃ বিশ্বাসযোগ্যতাৰ লগত মানসিক প্রশান্তিৰ এক অতি নিবিড় সম্পর্ক আছে। যিজন ব্যক্তিৰ কথাৰ লগত কামৰ মিল থাকে আৰু যিয়ে কাৰো বিশ্বাস ভংগ নকৰে, তেওঁৰ মনটো সদায় পাতল আৰু পৰিত্র হৈ থাকে। তেওঁ কোনো মিছা লুকুৱাবলৈ অন্য দহটা মিছাৰ আশ্রয় ল'ব নালাগে। মিছা কোৱা আৰু আনক ঠগোৱা মানুহবোৰ সদায় এক অদৃশ্য ভয় আৰু প্রচণ্ড মানসিক চাপৰ মাজত থাকে। তেওঁলোকৰ মনত সদায় ধৰা পৰাৰ এক শংকা আৰু অপৰাধবোধ জাগ্রত হৈ থাকে। ইয়াৰ বিপৰীতে এজন বিশ্বাসযোগ্য মানুহৰ হৃদয় সদায় স্বচ্ছ আৰু মুকলি আকাশৰ দৰে পৰিষ্কাৰ।

এই নির্মল মানসিক অৱস্থাই মানুহৰ আত্মবিশ্বাস বৃদ্ধি কৰে আৰু জীৱনৰ প্রতি এক যোগাত্মক দৃষ্টিভংগি গঢ়ি তোলে। নিজৰ বিবেকৰ ওচৰত যিজন মানুহ পৰিষ্কাৰ, তেওঁহে প্রকৃততে পৃথিৱীৰ আটাইতকৈ সুখী আৰু শান্ত মানুহ। তেওঁ ৰাতি বিছনাত শুই পৰিলে কোনো চিন্তা অবিহনে শান্তিত টোপনি যাব পাৰে। আধ্যাত্মিক পৰিপক্ক তাৰ বাবেও এই মানসিক স্বচ্ছতা অপৰিহার্য। সত্যৰ পথত খোজ দিয়া ব্যক্তিক যিকোনো পৰিস্থিতিয়ে বিচলিত কৰিব নোৱাৰি।

ভৰিষ্যত প্রজন্ম আৰু শিক্ষাৰ প্রকৃত লক্ষ্য ঃ আজিৰ আধুনিক শিক্ষা ব্যৱস্থাত আমি ল'ৰা-ছোৱালীক বহুত পঢ়া-শুনা কৰাওঁ, কিন্তু তেওঁলোকক এজন বিশ্বাসযোগ্য মানুহ হিচাপে গঢ়ি তোলাৰ শিক্ষা খুব কমেইহে দিওঁ। আমি পাহৰি যাওঁ যে এজন মানুহ অতিশয় শিক্ষিত হৈ বহুত ধন অর্জন কৰাতকৈ বেছি গুৰুত্বপূর্ণ হ'ল তেওঁ এজন ভৰসাযোগ্য মানুহ হোৱাটো। আমাৰ ভৰিষ্যৎ প্রজন্মৰ বাবে আমি বহু ধন-সম্পত্তি এৰি থৈ যোৱাতকৈ এটা নির্মল আৰু বিশ্বাসযোগ্য চৰিত্র উত্তৰাধিকাৰ হিচাপে এৰি থৈ যোৱাটো বেছি জৰুৰী।

শিশুসকলে কিতাপৰ পাঠতকৈ ডাঙৰৰ আচৰণ আৰু কাম-কাজ দেখিহে বেছি শিক্ষা লাভ কৰে। যদি পিতৃ-মাতৃয়ে পৰস্পৰৰ প্রতি আৰু সমাজৰ প্রতি বিশ্বাসযোগ্য আচৰণ কৰে, তেন্তে সন্তানসকলেও সেই মহান গুণটো স্বাভাৱিকভাৱে আয়ত্ত কৰিবলৈ অনুপ্রাণিত হ'ব। ইতিহাসৰ সেইসকল মহান ব্যক্তিক আমি আজিও শ্রদ্ধাৰে স্মৰণ কৰোঁ যিসকলে নিজৰ বাক্য বা প্রতিশ্রুতি ৰক্ষাৰ বাবে নিজৰ প্রাণ বিসর্জন দিবলৈকো কুণ্ঠাবোধ কৰা নাছিল। তেওঁলোকে আমাৰ বাবে এক বিৰল বিশ্বাসৰ ঐতিহ্য এৰি থৈ গৈছে। শিক্ষাৰ মূল কাম হ'ল মানুহক চৰিত্রৱান কৰা, কেৱল জ্ঞানৰ ভঁৰাল কৰা নহয়।

ৰাজনীতি আৰু নেতৃত্বত আস্থাৰ গুৰুত্ব ঃ ৰাজনীতি আৰু নেতৃত্বৰ ক্ষেত্রতো বিশ্বাসযোগ্যতা হ'ল আটাইতকৈ প্রয়োজনীয় উপাদান। এজন নেতাৰ প্রতি যদি জনসাধাৰণৰ বিশ্বাস নাথাকে, তেন্তে সেই দেশে ● (৬পৃষ্ঠাত)

সপ্তাহটোৰ ৰাশিফল

কৌপাতি সুত্রধৰ

মেষৰাশি (অ,আ,ল) ঃ কোনো সংবাদে সপ্তাহৰ আৰম্ভণিত মনত কষ্ট দিব। পাৰিবাৰীক সমস্যাৰ সমাধান হ'ব। চাকৰিলাভৰ যুগ। বিবাহৰ দিশত বাধা আৰু জটিলতা। শাৰিৰীক দিশত উচ্চ ৰক্তচাপ বৃদ্ধি আৰু পেটৰ অশান্তিত ভুগিব। আৰ্থিক দিশত সপ্তাহটো লাভৱান হ'ব।

বৃষৰাশি (ই,উ,ব) ঃ কৰ্মত পদোন্নতিৰ যুগ। দূৰভ্ৰমণত সতৰ্কতা অৱলম্বন কৰিব। আৰ্থিকত ক্ষতিৰ আশংকা। নিবনুৱা প্ৰাৰ্থীৰ কৰ্ম লাভৰ যোগ। বিবাহৰ যোগাযোগ লাভ। দুচকীয়া বাহনৰ পৰা কিছু সতৰ্ক হ'ব। ঘৰুৱা কোনো সমস্যাই মনত অশান্তি দিব। বিদ্যাত শুভ। ৰাজনীতিক, চিকিৎসক,বুদ্ধিজীৱিৰ শুভ সপ্তাহ।

মিথুনৰাশি (ক,ছ) ঃ পূৰণা পাব লগা ধন লাভৰ যুগ হ'ব। কৰ্মত উন্নতি আৰু সফলতা লাভ। ব্যৱসায়ত নতুন যোগাযোগ লাভ আৰু উন্নতিৰ যুগ। বিদ্যাৰ্থীৰ সফলতা লাভ। পাৰিবাৰিক দিশত কিছু অশান্তিৰ যুগ হ'ব। মাতৃৰ স্বাস্থ্যৰ অশান্তিয়ে মনত কষ্ট দিব। প্ৰেম-প্ৰীতিত বিফলতা।

কৰ্কটৰাশি (ড,হ) ঃ সপ্তাহৰ আৰম্ভণিত ভ্ৰমণ যোগ হ'ব। গৃহনিৰ্মাণৰ দিশত অগ্ৰসৰ হোৱাৰ যুগ। কৰ্মৰ দিশত শুভ ফল আৰু উন্নতি হ'ব। আৰ্থিকত লাভবান হ'ব। সন্তানৰ সফলতাই মনত আনন্দ দিব। ব্যৱসায় বাণিজ্যত উন্নতি আৰু লাভ। পেতৰ অশান্তিত কষ্ট পাব। শৰীৰত আঘাত পাব পাৰে। প্ৰেম-প্ৰীতিত বাধা।

সিংহৰাশি(ম,ট) ঃ সিংহৰাশিৰ জাত ব্যক্তিৰ সপ্তাহৰ আৰম্ভণিত পাব লগা ধন লাভ হ'ব। কৰ্মক্ষেত্ৰত উন্নতি আৰু সফলতা লাভ। পত্নীৰ স্বাস্থ্যৰ প্ৰতি নজৰ দিব। কোনো সহকৰ্মীৰ পৰা উপকৃত হ'ব। বিদ্যাৰ্থীৰ উন্নতিৰ যুগ। হঠাৎ শৰীৰত আঘাত পাব পাৰে। কোনো দুঃসংবাদে সপ্তাহৰ শেষত মনোকষ্ট দিব।

কন্যাৰাশি(প,ব,ণ) ঃ নতুন পৰিকল্পনা বাস্তৱত ৰূপায়িত হ'ব। কোনো দুষ্ট চক্ৰৰ দ্বাৰা ক্ষতিৰ আশংকা। মাটি-বাৰী সংক্ৰান্ত সমস্যাৰ সমাধানৰ যুগ। আৰ্থিকত লাভৱান হ'ব। ব্যৱসায়-বাণিজ্যত মধ্যম। বিদ্যাৰ্থীৰ সফলতাৰ যুগ। বিবাহত বাধা আৰু মনোকষ্ট। কৰ্মত উন্নতি আৰু সন্মান লাভৰ যুগ হ'ব। পাৰিবাৰিক উন্নতি আৰু সম্পত্তি লাভ হ'ব।

তুলাৰাশি(ৰ,ত) ঃ বহুদিনীয়া সমস্যাৰ সফল সমাধান হ'ব। আৰ্থিক দিশত হঠাৎ অৰ্থলাভৰ যুগ। কৰ্মত স্থান পৰিৱৰ্তনৰ যুগ হ'ব। যান-বাহন আদি ক্ৰয়ৰ যুগ। ব্যৱসায়ত নতুন সংযোজন আৰু উন্নতিৰ যুগ। নিবনুৱাৰ কৰ্ম প্ৰাপ্তি হ'ব। অনৰ্থক শত্ৰুতাৰ প্ৰভাৱ বৃদ্ধি আৰু মানসিক অশান্তি। প্ৰেম-প্ৰীতিত শুভ সপ্তাহ।

বৃশ্চিকৰাশি (ন,য) ঃ ঘৰলৈ সন্তানৰ আগমনে মনত আনন্দ দিব। দূৰ ভ্ৰমণৰ যুগ। সামাজিক দিশত সন্মান লাভ হ'ব। শৰীৰত বিষ বেমাৰ আৰু পেটৰ অশান্তিত ভুগিব। কৰ্মত ব্যস্ততা আৰু জটিলতা বৃদ্ধি পাব। বিবাহৰ বন্দোৱস্তি হ'ব। বিদ্যাত উন্নতি আৰু সফলতা লাভ। নিৰনুৱাৰ কৰ্ম লাভত বাধাৰ যুগ।

ধনুৰাশি(ধ,ভ,ফ) ঃ কোনো মূল্যৱান সম্পত্তি লাভৰ যুগ । আৰ্থিক দিশত লাভৱান হ'ব। ব্যৱসায় -বাণিজ্যত মধ্যম। কোনো পূৰণা বন্ধুৰ দ্বাৰা উপকৃত হ'ব। ৰাজনীতিক, সাংবাদিক, বুদ্ধিজীৱিৰ সন্মান লাভ। চিকিৎসক, শিক্ষক, বীমা কৰ্মীৰ মধ্যম। বিদ্যাৰ্থীৰ শুভ সময় হ'ব। বিবাহৰ যুগ আৰু শৰীৰত হঠাৎ আঘাত প্ৰাপ্তিৰ আশংকা।

মকৰৰাশি(খ,জ)ঃ কোনো এজন গুৰুস্থানীয় লোকৰ স্বাস্থ্য অশান্তিৰ যুগ। মানসিক অৱসাদ আৰু কৰ্মব্যস্ততা বৃদ্ধি পাব। ব্যৱসায়ত প্ৰাপ্য ধন লাভত বাধাৰ যোগ। অবিবাহিতৰ বিবাহৰ যোগাযোগ লাভ হ'ব। বিদ্যাৰ্থীৰ চঞ্চলতা বৃদ্ধি পাব। প্ৰেম-প্ৰীতিত সফলতা। শিক্ষক, সাংবাদিক বীমা আৰু বেংক কৰ্মীৰ অনুকূল সময়।

কুম্ভৰাশি(স,শ)ঃ ভূমি সংক্ৰান্ত সমস্যাৰ সমাধান আৰু গৃহনিৰ্মাণৰ যুগ হ'ব। অবিবাহিতৰ বিবাহৰ যুগ। কৰ্মক্ষেত্ৰত গুপ্ত শত্ৰুৰ প্ৰভাৱ বৃদ্ধিৰ যুগ। পত্নীৰ স্বাস্থ্যৰ অশান্তিয়ে মনত কষ্ট দিব। আৰ্থিকত খৰছ বৃদ্ধিৰ যুগ। ব্যৱসায়ত উন্নতিৰ আৰু লাভৰ যুগ। সন্তানৰ সফলতাই মনত আনন্দ দিব। সপ্তাহৰ শেষত হঠাৎ অৰ্থলাভৰ যুগ দেখা যায়।

মীনৰাশি (দ,চ) ঃ মীনৰাশিৰ জাত ব্যক্তিৰ সপ্তাহটোত নতুন কৰ্মত অগ্ৰসৰ নোহোৱাই শুভ হ'ব। কৰ্মত জটিলতা বৃদ্ধি আৰু শত্ৰুতাৰ প্ৰভাৱ। কৰ্মত উন্নতি আৰু সন্মান লাভ। চুবুৰীয়াৰ লগত মতানৈক্য। কোনো পূৰণা সমস্যাৰ সু-সমাধান হ'ব। ব্যৱসায় বাণিজ্যত নতুন সংযোজন আৰু উন্নতি। আৰ্থিকত প্ৰাপ্য ধন হাতলৈ আহিব। প্ৰেম-প্ৰীতিত সফলতা আৰু আনন্দ।

বিশ্বাসযোগ্যতা ঃ এখন সুস্থ সমাজৰ চাবিকাঠি

(৫ পৃষ্ঠাৰ পৰা)● কেতিয়াও উন্নতিৰ শিখৰত উপনীত হ'ব নোৱাৰে। ইতিহাসত যিসকল নেতা কালজয়ী হৈ ৰৈছে, তেওঁলোকৰ এটা উমৈহতীয়া গুণ আছিল জনসাধাৰণৰ আস্থা জয় কৰিব পৰা ক্ষমতা। এজন নেতাৰ বিশ্বাসযোগ্যতাই এখন দেশক দুৰ্যোগৰ সময়তো একগোট কৰি ৰাখিব পাৰে। নেতাৰ প্ৰতি থকা জনসাধাৰণৰ বিশ্বাসেই হ'ল যিকোনো গণতান্ত্ৰিক ব্যৱস্থাৰ মূল ভেটি।

ঠিক তেনেদৰে সমাজৰ প্ৰতিজন পেছাদাৰী ব্যক্তি, যেনে শিক্ষক, চিকিৎসক, অভিযন্তা বা সাংবাদিক - তেওঁলোকৰ কামৰ সফলতা নিৰ্ভৰ কৰে তেওঁলোকৰ বিশ্বাসযোগ্যতাৰ ওপৰত। এজন বিশ্বাসী শিক্ষকেহে ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যৎ গঢ়িব পাৰে আৰু এজন বিশ্বাসী চিকিৎসকেহে ৰোগীক মানসিক সাহস দিব পাৰে। যেতিয়া কোনো এজন শিক্ষক বা চিকিৎসকে নিজৰ কামত ফাঁকি দিয়ে, তেতিয়া সমগ্ৰ সমাজখনৰ মাজত এক নৈৰাশ্যৰ ভাব ওপজে। সমাজৰ প্ৰতিটো স্তম্ভই যদি বিশ্বাসযোগ্যতা হেৰুৱাই পেলায়, তেন্তে সভ্যতা খহি পৰিবলৈ বেছি সময় নালাগে।

আত্ম-সততা আৰু নৈতিক দায়িত্ব ঃ প্ৰকৃততে বিশ্বাসযোগ্যতা হ'ল আত্ম-সততাৰ এক পৰম পৰিচয়। যিজন ব্যক্তিয়ে নিজৰ আত্মাৰ ওচৰত মিছা নকয়, তেওঁহে আনৰ ওচৰত সঁচা হৈ থাকিব পাৰে। আমাৰ সমাজত এতিয়া এনেকুৱা মানুহৰ বহুত প্ৰয়োজন যিয়ে নিজৰ দায়িত্ববোৰ কোনো ফাঁকি ● (৮পৃষ্ঠাত)

খাদ্য আৰু উচ্চ ৰক্তচাপ

উচ্চ ৰক্তচাপত ভোগা ৰোগীৰ বাবে কিছুমান পৰামৰ্শ (খাদ্য সম্পৰ্কীয়) ঃ

১। মাছ ঃ ইয়াত ওমেগা ফেটী এছিড থাকে আৰু লগতেই এটা উত্তম প্ৰ'টিনৰ উৎস। ইয়াত চৰ্বিৰ পৰিমাণ কম থাকে, কিন্তু অন্য বা বেলেগ কিছুমান পুষ্টিকৰ দ্ৰব্য থাকে যাৰ ফলত ই তেজৰ ধমনীক সুৰক্ষা প্ৰদান কৰে আৰু উচ্চ ৰক্তচাপ নিয়ন্ত্ৰণত ৰাখে।

২। চেলেৰী ঃ- ই এবিধ সেউজীয়া শাক, যাক বহুদিন ধৰি ঔষধি গুণৰ বাবে ব্যৱহৃত কৰা হয়। ইয়াক কেচাকৈ চালাডৰ লগত খালে উচ্চ ৰক্তচাপৰ পৰা কিছু পৰিমাণে হাত সাৰিব পাৰি।

৩। নহৰু ঃ- ই হৃদৰোগ আৰু উচ্চ ৰক্তচাপত ভোগা ৰোগীসকলৰ বাবে উত্তম খাদ্য। প্ৰতিদিনে এটাকৈ নহৰু খালে ১২ দিনৰ ভিতৰত উচ্চ ৰক্তচাপ নিয়ন্ত্ৰণলৈ আহে।

৪। পিঁয়াজ ঃ- পিঁয়াজৰ তেল ২-৩ চামুচ প্ৰতিদিন গ্ৰহণে ১২ দিনৰ ভিতৰত উচ্চৰক্তচাপ নিয়ন্ত্ৰণলৈ অনা দেখা যায়।

৫। বিলাহী ঃ- বিলাহীত যথেষ্ট পৰিমাণৰ গামা - এমিন' বিউটাইৰিক এচিড থাকে, যাৰ ফলত উচ্চৰক্তচাপ হ্ৰাস পায়।

৬। চেফৰণ ঃ চেফৰণৰ ব্যৱহাৰেও উচ্চৰক্তচাপ হ্ৰাস কৰাত বহুখিনি সহায় কৰে।

৭।ব্ৰকলি ঃ ইয়াত থকা বহুতো সক্ৰিয় পদাৰ্থই উচ্চৰক্তচাপ হ্ৰাস কৰাত সহায় কৰে।

৮। অলিভ অইল ঃ- ইয়াৰ নিতৌ ব্যৱহাৰে চিচষ্টলিক আৰু ডায়ষ্টলিক চাপ (প্ৰেচাৰ) দুয়োটা হ্ৰাস কৰি ৰাখে।

৯। আপেল ৰসৰ ভিনেগাৰ ঃ ই শৰীৰলৈ গৈ উচ্চৰক্তচাপ হ্ৰাস কৰে। ইয়াক খালী পেটত এচামুচ লৈ তিনি গিলাচ কুহুমীয়া গৰম পানীৰ লগত মৌ মিহলি কৰি খালে উত্তম ফল দিয়ে।

অপথ্য ঃ

১। চেনী ২। চেচুৰেটেট ফেট (যেনে - ঘিউ, মাংসৰ চৰ্বী) ৩। বাদাম আৰু শুকান ফল (যেনে- কিচমিচ, পিচটা) ৪। কেঁচা নিমখ আৰু নিমখীয়া বস্তু। ৫। মিঠাই য'ত ঘিউ আদি ব্যৱহাৰ হয়। ৬। ক'লড্রিঙ্কচ্। ৭। কফি।

।। বাইজৰ সেৱাৰ্থে আগবঢ়োৱা হ'ল।।

কবিতা পৃষ্ঠা

প্ৰিয় নাৰী গৰাকী

● মেৰী বৰদলৈ, নগাঁও, ফুলগুৰি

আপুনিয়ে মোৰ
প্ৰিয় নাৰী
জানো ভালকৈ
স্পষ্টবাদীতা আপোনাৰ
অনন্য এক সুকীয়া
পৰিচয়,

হে প্ৰিয় নাৰী
আপোনালৈ
শতকোটি প্ৰণাম
জনালোঁ
যুগে যুগে
যুগজিতা হৈ
জিলিকি থাকক
সেউজীয়াৰ সেউজ
কোমল পাততে,

মন ভৰে
আপোনাৰ সুৱদী কোমল
দৰদী কণ্ঠত

হে প্ৰিয় নাৰী
আপুনিয়েই জানো নহয়
সেই সৃষ্টিৰূপা
আপুনিয়েই জানো নহয়
অনন্যা বিশ্বৰূপা
কেনেকৈ কৰোঁ আজি
আপোনাৰ গুণৰ বৰ্ণনা
ৰৌদ্ৰোজ্বল আকাশত
জিলিকি উঠা
আপুনিয়েই নহয় জানো
মোৰ প্ৰিয়
সকলোৰে আদৰৰ
নাম যাৰ
পুষ্পলতা, পুষ্পলতা, পুষ্পলতা !

স্বাধীন স্বদেশী !

● নিৰঞ্জন ঠেঙাল, গোলাঘাট

বাতিৰৰ পাতে পাতে
লুণ্ঠনৰ গুঞ্জন,
দেৱশিশুৰো হয় কামাতুৰ ধৰ্ষণ।
নাৰী-তিৰোতাৰ ভয়
মতা মানুহবোৰে য'তে-তঁতে বসতি লয়,
কাকো নিচিনে,
মাঁথো সুখ বিচাৰে,
অতৃপ্তিৰ সুখ।

ৰাতিবোৰ সুযোগ
জীৱন ত্যাগৰ সংগীত ?
শক্তিৰ ক্ষমতাবাদীয়ে
দিয়ে দৰিদ্ৰ লোকক শৰীৰৰ গোন্ধ
লোৱাৰ
ইংগিত।
নিপিড়িত তিৰোতা,
নিপিড়িত পুৰুষো
মাঁথো নাম আছে,
পূৰ্বৰ ইতিহাস আছে
স্বাধীন স্বদেশী।



হিংসাৰ জুই

● ডঃ ইকবাল হোচেইন খান

জুই
হিংসাৰ জুই
আক্ৰান্ত যেন সকলোৱেই
কিযে যন্ত্ৰণাকাতৰ যন্ত্ৰণা
বিনিনি ধোঁৱাৰ দৰে উৰি থাকে হৃদয়ত
হুমুনিয়াহ কাঢ়ে নিঃসংগতাই
নীৰৱ হৈ থাকে কবিতা
বিধ্বস্ত সময়ৰ গল্প
হুমুনিয়াহৰ ভিতৰত থাকে গভীৰ চিন্তা
কিজানি শেষ হয় মানৱতা হিংসাৰ জুইত
শক্তি বাঢ়িছে মানৱৰূপী দানৱৰ
কাঢ়ি নিব ধৰিছে সকলো
তথাপিও নিশ্চুপ পৃথিৱী
বজাই নিঃসংগতাৰ গান
মৃত্যু কবিতাৰ
দখল নিছে হৃদয়বিহীন মানুহে
সেইবাবেই আজি নাই আৱেগ,
নাই অনুভৱ, নাই পৰিচয়
আছে মাথোঁ কৃত্ৰিমতাৰ বেহা
বন্দী ভোগবাদত
দীৰ্ঘশ্বাস মানৱতাৰ
এয়াই যেন আজিৰ মানুহ
বুকুত নাই প্ৰেম
ভৰি আছে হিংসাৰ জুই।



মৃত্যুৰ নিঃসদৃশ ঠিকনা

● মৰমী আহমেদ, নলবাৰী

প্ৰতিদিনে বুকুত লৈ ফুৰিছো
মৃত্যুৰ এটি নিঃসদৃশ ঠিকনা
পঙ্কিল জীৱনৰ যঁতত পৰি
নিঃসহায় দিশেৰে চলি আহিছে
সুদীৰ্ঘ সময়ৰ এই দৈনন্দিন যাত্ৰা
বাৰিষাৰ বিভীষিকাৰে ভৰি থকা
নৈখনৰ দুয়োপাৰে প্ৰতি ছেকেণ্ডতে
বাজি উঠে বিপদৰ ঘণ্টা
খোজে প্ৰতি কঁপি উঠা বুকুখনে
মাজে সময়ে শুনা পায়
শংকিত প্ৰাণৰ আৰ্তনাদ
মাঁথো প্ৰৱাহিত জীৱনৰ সোঁতত পৰিয়েই
সহি আছোঁ এই জীয়া যন্ত্ৰণা
যাতায়াতৰ এনে চক্ৰবেহুবোৰ দেখি
নিষ্ঠুৰ মনৰ হেঁপাহবোৰেও
সলাইছে আজি নিজৰ নিজৰ ঠিকনা
একে লেখাৰিয়ে বুকুত বৈ আছে মাঁথো
জীৱন বিৰহৰ কৰ্কথনা
ভাগ্য আৰু সময়ৰ বিধি- পথালিয়ে
যিকোনো সময়তে কৰিব পৰা
জটিল পৰিস্থিতিৰ আশঙ্কাৰে আতংকিত
প্ৰতিখন হৃদয়ে লাহে লাহে
ভাবিবলৈ বাধ্য হৈছে
আমি বাৰু কিয় ইমান দুৰ্ভগীয়া।

বুকুৰ ছাঁ

● বনজিত দাস, বিহাবাৰী, বজালী

আন্ধাৰক সুধিব পাৰি জানো
বুকুৰ গভীৰতাত কিমান পোহৰ
কিদৰে সুধিব
বিষাদৰ অতল সাগৰত
সুখৰ বন্যা
কিমান গভীৰ
অমাৱস্যা ৰাতি কিদৰে বিলাই
বন-বননিৰ জয়াল বাটত
কিদৰে বিলাই দিয়ে
পোহৰৰ গতি
এয়াই চোন মোৰ বুকুৰ ছাঁ।
প্ৰলয়ংকাৰী বিধ্বস্ত জনক সোধাগৈ
সূৰ্যাস্তৰ কথা
প্ৰিয়জনক হেৰোৱাৰ বতৰা
সুখৰ বাঁহীৰ সুৰত মগ্ন
বুকুৰ গুণ-গুণনি
অনুপম সৃষ্টিত কিমান মতলীয়া
য'ত পোহৰেও
নিজৰ অস্তিত্ব বিচাৰি ফুৰে
এন্ধাৰেও
হেৰুৱাই পেলায় নিজৰ ঠিকনা !

এক অদৃশ্য বিৰহ

● নাচিমা য়াচমিন, বিশ্বনাথ চাৰিআলি

জীৱনত কিছু মানুহ আহে
থকাৰ প্ৰতিশ্ৰুতি নিদিয়াকৈয়ে
হৃদয়ৰ কোনো এক গভীৰ কোণত
স্থায়ী আসন দখল কৰে।
সময় বাগৰে, দূৰত্ব বাঢ়ে,
কথাবিলাক লাহে -লাহে নীৰৱ হৈ পৰে ;
তথাপিও তেওঁলোকৰ স্মৃতি
মনৰ পৰা মচ খাই নাযায়।
কেতিয়াবা ৰাতিৰ নিস্তব্ধতাত
অজানিতে মনটোৱে সেইজনাক বিচাৰে।
ক'বলৈ অসংখ্য কথা জমা হৈ থাকে,
কিন্তু শুনিবলৈ মানুহজন নাথাকে।
অভিমান থাকে, অপেক্ষা থাকে,
তথাপিও কোনো অভিযোগ নাথাকে।
কাৰণ কিছুমান ভালপোৱা
অধিকাৰ বিচৰাৰ বাবে নহয়,
মাঁথো নীৰৱে মংগল কামনা কৰি
নিজৰ মাজতে জীয়াই ৰখাৰ বাবে।
কিছুমান মানুহ আহে
আমাক ভালপোৱাৰ অৰ্থ বুজাবলৈ,
আৰু আঁতৰি যায়
এক অপূর্ণ অনুভৱ হৃদয়ত লুকাই থৈ।
য'ত কোনো মিলনৰ আশা নাই,
তথাপিও ভালপোৱাখিনিৰ অন্ত নাই।
কাৰণ কিছুমান সম্পৰ্কৰ শেষ
বিদায়ত নহয় ;
ই হৃদয় জুৰি বিয়পি থাকে
অনুপস্থিতিৰ মাজতো
স্মৃতি হৈ, অনুভৱ হৈ, নীৰৱ প্ৰাৰ্থনা হৈ।



মাছ আৰু মানুহৰ পৃথিৱী

● জুৰি বৰা যোৰহাট

মাছৰ এখন পৃথিৱী আছে
যিখনৰ নাম পানী
সেই পৃথিৱীৰ পৰা আহিলে
মাছ জী নাথাকে।
মানুহ যদি মাছৰ পৃথিৱীলৈ যায়
মানুহ মৰে।
মাছ আৰু মানুহৰ মাজত
পাৰ্থক্য তাতেই।



পৰিৱেশ

● বাহাৰুল ইছলাম

সেউজীয়াৰ নিমিত্তে ব'লা যাওঁ আগুৱাই
ছাঁ ৰ পিছে পিছে ঘূৰিছোঁ
যায় গুচি প্ৰখৰ বেগে
ৰিব্‌ৰিব্ মলয়া পৱন
যিয়ে তাৰ শব্দবোৰ লুকাই থয়
কোনোবা অজান ঠাইত
কিন্‌কিনিয়া ৰৱযুণজাক
যিয়ে তাৰ কথাবোৰ সোমাই থয়
শুভ্ৰ মেঘমালাৰ খোৱোঙত।

সেই তাহানিৰ শস্য শ্যামলা পথাৰখন
ইটাভাটাৰ ধোৱাত মৰহি গ'ল
মেচিনৰ আৱাজ
সৱতে অপূর্ব সাজ
সেউজ পিন্ধা সেই পাহাৰবোৰ
নঙঠা হৈ কি বিচাৰিছে ?
ৰাস্তাৰ কাষে কাষে হাঁহি থকা
সেই আলফুলীয়া বিৰিখবোৰ
আজিকালি নিধান হৈছে
হত্যা কৰি কৰি সিহঁতক
শুকান চামৰাৰ সমুদ্ৰ সজাইছে।

দূৰৈৰ পৰা দৃশ্যমান হয়
ওখ ওখ কংক্ৰিটৰ দেৱালবোৰ
যিবোৰে ৰিঙিয়াই মাতে প্ৰতিনিতে
হাবিবোৰ আঘাতপ্ৰাপ্ত হ'ল
নিতৌ শুনা যায়
নিৰস কান্দোনৰ শব্দ
আধুনিকতাৰ আগ্ৰাসন
চৌপাশে যানবাহন।



বনৰীয়া জীৱ-জন্তুৱে কাণে কাণে
ফুচফুচাই ক'লে-
সিহঁতবোৰ হেনো বৰ বিপদত
কৰ্কশ আজি
পখীৰ কলৰোল,
অজন স্তৱৰ ফাট মেলিলে
সূৰুযৰ খং বাঢ়িলে
মৌনতা জানো সমাধানৰ পথ ?
ধৰিত্ৰীৰ কপালত যেন লিখা আছে
কুৰি শতিকাৰ সাৱধান বাণী
'জীৱশ্ৰেষ্ঠৰ ভয়ানক কৰ্মফল'
সেউজীয়াৰ নিমিত্তে ব'লা যাওঁ আগুৱাই।

অন্যথা !

● নিৰঞ্জন ঠেঙাল

এৰি দিলোঁ কিছু শব্দক
এৰি দিলোঁ কিছু আশাক
অন্যথা ময়োতো
স্পৃহাকাতৰ অঙঠা।



বিশ্বাসযোগ্যতা ঃ এখন সুস্থ সমাজৰ চাবিকাঠি

(৬পৃষ্ঠাৰ পৰা)● নিদিয়াকৈ পালন কৰে। কোনোবাই আমাক চাই থাকক বা নাথাকক, নিজৰ কৰ্তব্যত অটল থকাটোৱেই হ'ল বিশ্বাসযোগ্যতাৰ প্ৰকৃত পৰীক্ষা। ই কেৱল এটা শব্দ নহয়, ই হ'ল এক আধ্যাত্মিক দায়িত্ব আৰু এক মহান সামাজিক কৰ্তব্য।

যিজন ব্যক্তিয়ে এই সত্যটো বুজি পায়, তেওঁৰ জীৱনটো সুগন্ধি ফুলৰ দৰে সমাজত বিয়পি পৰ। বিশ্বাসযোগ্যতাই আমাক শিকায় কেনেকৈ আনৰ প্ৰতি দায়িত্বশীল হ'ব পাৰি। ই আমাক স্বাৰ্থপৰতাৰ পৰা মুক্ত কৰি উমৈহতীয়া কল্যাণৰ কথা ভাবিবলৈ বাধ্য কৰে। যিদিনা সমাজৰ প্ৰতিজন ব্যক্তিয়ে নিজৰ কামৰ প্ৰতি বিশ্বাসী হ'ব, সেইদিনাই আমাৰ পৃথিৱীখন স্বৰ্গলৈ ৰূপান্তৰিত হ'ব।

জীৱনৰ বিয়লি বেলাত বিশ্বাসৰ হিচাপ ঃ মানৱ জীৱনৰ বিয়লি বেলাত যেতিয়া এজন মানুহে নিজৰ অতীতৰ দিনবোৰলৈ ঘূৰি চায়, তেতিয়া তেওঁৰ মনলৈ বহুতো হিচাপ-নিকাচ আহে। কাৰোবাৰ বাবে সেই হিচাপ হ'ল তেওঁ কিমান টকা জমা কৰিলে বা কিমান অট্টালিকা গঢ়িলে। কিন্তু এজন সঁচা মানুহৰ বাবে আটাইতকৈ ডাঙৰ হিচাপটো হ'ল তেওঁ জীৱনত কিমানজন মানুহৰ বিশ্বাস জয় কৰিব পাৰিলে আৰু কিমানজনৰ চকুলো মুছিব পাৰিলে। যিজন ব্যক্তিয়ে মৃত্যুৰ আগমুহূর্তত শান্তভাৱে ক'ব পাৰে যে মই কাৰো বিশ্বাস ভঙা নাই, তেওঁৰ জীৱনটোৱেই আটাইতকৈ সফল জীৱন।

কাৰোবাৰ বিশ্বাসযোগ্য হ'ব পৰাটোৱে প্ৰমাণ কৰে যে আপুনি এজন পৰিপক্ক, মৰ্যাদাপূৰ্ণ আৰু দায়িত্বশীল ব্যক্তি। পৃথিৱীত আমাৰ অস্তিত্ব ক্ষণস্থায়ী, কিন্তু আমি এৰি যোৱা স্মৃতিবোৰ চিৰস্থায়ী। সেই স্মৃতিবোৰ যদি বিশ্বাস আৰু আস্থাৰে ভৰা হয়, তেন্তে আমাৰ মৃত্যুৰ পাছতো আমৰা আনৰ হৃদয়ত জীয়াই থাকিম। বিশ্বাসেই হ'ল সেই পৱিত্ৰ উত্তৰাধিকাৰ যিটো আমাৰ নামৰ লগত যুগ যুগ ধৰি জিলিকি থাকে।

শেষত ক'ব পাৰি যে কাৰোবাৰ বিশ্বাসযোগ্য হোৱাটো এক গধুৰ দায়িত্ব যদিও ই জীৱনৰ সৰ্বশ্ৰেষ্ঠ পুৰস্কাৰ। পৃথিৱীত বহু ধৰণৰ প্ৰাপ্তি থাকিব পাৰে, কিন্তু কোনোবাই নিজৰ হৃদয়ৰ নিভৃত কোণত আপোনাক এজন বিশ্বাসী ব্যক্তি হিচাপে স্থান দিয়া মানেই হ'ল আপুনি জীৱনৰ প্ৰকৃত আৰু সৰ্বোত্তম উপহাৰটো লাভ কৰিছে। এই উপহাৰটো কোনো ৰাজকীয় ক্ষমতাৰে কাঢ়ি ল'ব নোৱাৰি আৰু কোনো বিশাল ধনৰাশিৰে জোখ ল'ব নোৱাৰি। ই হ'ল দুখন হৃদয়ৰ মাজত গঢ়ি উঠা এক অতি পৱিত্ৰ সেঁতু।

আহক আমি প্ৰতিজনে নিজকে এনেদৰে গঢ়ি তোলোঁ যাতে আমি আমাৰ প্ৰতিটো কথা আৰু কামৰ দ্বাৰা আনৰ বাবে এক বিশ্বাসৰ প্ৰতীক হৈ উঠিব পাৰোঁ। বিশ্বাসেই হ'ল মানৱতাৰ আটাইতকৈ ধুনীয়া, সৰল আৰু শক্তিশালী ভাষা। এই ভাষাটো বুজি পোৱা আৰু ইয়াক ৰক্ষা কৰিব পৰাটোৱেই হ'ল মানৱ জীৱনৰ চৰম সাৰ্থকতা। এই অনন্য উপহাৰটোৰ যত্ন লোৱা আৰু ইয়াক মৰ্যাদা দিয়াটোৱেই আমাৰ প্ৰত্যেকৰে জীৱনৰ একমাত্ৰ লক্ষ্য হোৱা উচিত। কাৰণ শেষত আমাৰ লগত আমাৰ পাৰ্থিৱ ধন-সম্পত্তি নাযায়, ৰৈ যাব কেৱল আমি সমাজত এৰি থৈ যোৱা সেই অমূল্য বিশ্বাস আৰু আস্থাৰ অম্লান স্মৃতিবোৰ। বিশ্বাসযোগ্যতাই এখন সমাজক প্ৰাণ দিয়ে, এটা জাতিক মৰ্যাদা দিয়ে আৰু এটা উন্নত ভৱিষ্যতৰ নিশ্চয়তা দিয়ে। আহক আমি প্ৰত্যেকেই বিশ্বাসৰ এই বস্তি জ্বলাই এখন সুস্থ আৰু সুন্দৰ সমাজ গঢ়াৰ সংকল্প লওঁ।

গছ-গছনি ধ্বংসৰ পৰিণাম

(যোৱা সংখ্যাৰ পৰা) বৈচিত্ৰ্যতাৰ ওপৰত গছ-গছনি ধ্বংসৰ প্ৰভাৱ অতিশয় ভয়ংকৰ, অপূৰণীয় আৰু সামগ্ৰিক। অৰণ্যসমূহ হৈছে পৃথিৱীৰ জীৱ-বৈচিত্ৰ্যৰ এক বিশাল আৰু জটিল ভঁৰাল, য'ত কোটি কোটি অসংখ্য প্ৰজাতিৰ উদ্ভিদ আৰু প্ৰাণীয়ে আশ্ৰয় লয় আৰু তেওঁলোকৰ জীৱন চক্ৰ সম্পূৰ্ণ কৰে। প্ৰতিটো প্ৰাণী আৰু উদ্ভিদে ইটোৱে সিটোৰ ওপৰত নিৰ্ভৰ কৰি এক সূক্ষ্ম ভাৰসাম্য ৰক্ষা কৰে, যাক পৰিৱেশ তন্ত্ৰৰ আন্তঃসংলগ্নতা বুলি কোৱা হয়। যেতিয়া এই অৰণ্যবোৰ কাটি পেলোৱা হয়, তেতিয়া হাজাৰ হাজাৰ জীৱ-জন্তু, চৰাই-চিৰিকটি, কীট-পতংগ আৰু অতি সূক্ষ্ম জীৱই তেওঁলোকৰ স্বাভাৱিক, সুৰক্ষিত আৰু খাদ্যৰ উৎস থকা বাসস্থান হেৰুৱাবলৈ বাধ্য হয়। এই বাসস্থান ধ্বংসৰ ফলত বহুতো প্ৰাণীয়ে জীয়াই থকাৰ মৌলিক সংগ্ৰামত হাৰ মানে আৰু ক্ৰমান্বয়ে বিলুপ্তিৰ দিশে আগবাঢ়ে। ই কেৱল প্ৰাণীৰ সংখ্যা হ্ৰাস কৰাই নহয়, বৰং সমগ্ৰ পৰিৱেশ তন্ত্ৰৰ সূক্ষ্মভাৱে স্থাপিত খাদ্য শৃংখল আৰু শক্তি প্ৰৱাহৰ ভাৰসাম্যতাও সম্পূৰ্ণৰূপে ভাঙি পেলায়। উদাহৰণস্বৰূপে, বৃহৎ মাংসাহাৰী প্ৰাণীসমূহ সৰু প্ৰাণীৰ ওপৰত নিৰ্ভৰ কৰে, আৰু সৰু প্ৰাণীসমূহ উদ্ভিদৰ ওপৰত নিৰ্ভৰ কৰে। গছ-গছনি ধ্বংস হক্সলে, এই সকলোবোৰ জটিল আৰু আন্তঃসংলগ্নতা ছিন্ন হৈ যায়, যাৰ ফলত এটা প্ৰজাতিৰ বিলুপ্তিৰ ফলত আন বহুতো নিৰ্ভৰশীল প্ৰজাতিও বিপদাপন্ন হয়। এই জীৱ-বৈচিত্ৰ্যৰ অপূৰণীয় হ্ৰাসে মানৱ জীৱনকো প্ৰত্যক্ষভাৱে প্ৰভাৱিত কৰে, কাৰণ মানুহে খাদ্য, বনৌষধি আৰু আন বহুতো গুৰুত্বপূৰ্ণ সামগ্ৰীৰ বাবে এই প্ৰাকৃতিক সম্পদৰ ওপৰত নিৰ্ভৰ কৰে। বহুতো বনৌষধি আৰু জীৱাণু ধ্বংস হয়, যাৰ ফলত নতুন ঔষধৰ সন্ধানৰ পথ বন্ধ হৈ যায় আৰু মানুহৰ স্বাস্থ্যৰ ওপৰত ঋণাত্মক প্ৰভাৱ পৰে। এই প্ৰাকৃতিক ভাৰসাম্য হেৰুৱাৰ ফলত নতুন নতুন ৰোগৰ উদ্ভৱ হ'ব পাৰে, কিয়নো প্ৰাণী আৰু মানুহৰ মাজৰ স্বাভাৱিক সীমাৰেখা নোহোৱা হৈ পৰে, যাৰ ফলত পশুপালকৰ পৰা মানুহলৈ ৰোগ সহজে বিয়পি পৰে। জীৱন বৈচিত্ৰ্যতাৰ এই অবিৰত আৰু ব্যাপক ক্ষতিয়ে পৃথিৱীৰ স্বাভাৱিক কাৰ্যক্ষমতা আৰু প্ৰাকৃতিক ভাৰসাম্যতা পুনৰুদ্ধাৰ কৰাত এক ডাঙৰ প্ৰত্যাহ্বানৰ সৃষ্টি কৰে, আৰু ইয়াৰ ফলত সমগ্ৰ গ্ৰহটোৰ স্বাস্থ্যৰ ওপৰত গভীৰ ঋণাত্মক প্ৰভাৱ পৰে। (আগলৈ)



সাপ্তাহিক মৰিগাঁও ঃ স্বত্বাধিকাৰী, সম্পাদক আৰু প্ৰকাশক - শ্ৰীদময়ন্তী দেৱী, ওৱাৰ্ড নং-৪, এম. বি. ৰোড, মৰিগাঁও নগৰ, পোঃ জিলা- মৰিগাঁও (অসম)। পিন- ৭৮২১০৫।
মুদ্রিত ঃ শ্ৰী অমিত জৈন, আৰ. কে. প্ৰিণ্টাৰ্ছ, বেহাৰবাৰী, কামৰূপ (মেট্ৰো), গুৱাহাটী-৪০, অসম।
ফোন নং-(০৩৬৭৮) ২৪০১১২, ৯৪৩৫১-৬৪৫১১, ৯৯৫৪৬-৭০২১৯, ৯৮৫৯১-৩৬৫০১ |**e-mail:** saptahikmorigaon@gmail.com,jnath83@gmail.com, **bksarma98591@gmail.com.**
সম্পাদক ঃ দময়ন্তী দেৱী *সম্পাদনা উপদেষ্টা ঃ* বুদ্ধেশ্বৰ পেগু (অবৈ.) *মুখ্য সম্পাদক ঃ* জগদীশ চন্দ্ৰ নাথ (অবৈতনিক) *কাৰ্যবাহী সম্পাদক ঃ* জিতুমনি নাথ (অবৈ.)

Saptahik Morigaon : Owner, Editor & Publisher Sri Damayanti Devi, Ward No. 4, M.B. Road, Morigaon Town, P.O. & Dist.- Morigaon (Assam). PIN-782105.
Printed by : Sri Amit Jain, R. K. Printers, Beharari, Kamrup (M), Guwahati-40, Assam.
Ph. No. (03678) 240112, 94351-64511, 99546-70219, 98591-36501**:: e-mail:** saptahikmorigaon@gmail.com, jnath83@gmail.com, **bksarma98591@gmail.com.**
Editor - Damayanti Devi **Editing Advisor- Sri Budheswar Pegu (Hony.)** **Chief Editor - Jagadish Ch. Nath (Hony.)** **Executive Editor - Jitumoni Nath (Hony.)**